G, H, J, K, L আৰু P একেটা অট্টালিকাৰ ছটা ভিন্ন মহলাত বাস কৰে। অট্টালিকাটোৰ আটাইতকৈ তলৰ মহলাটো 1, ইয়াৰ ওপৰৰ মহলাটো 2 আৰু এনেদৰে সৰ্বোচ্চ মহলালৈ কৰা হৈছে আৰু সৰ্বোচ্চ মহলাটো 6ৰে চিহ্নিত কৰা হৈছে। K ওপৰত কেৱল Lবাস কৰে। Kৰ ঠিক তলত H বাস কৰে। Jৰ তলত কেৱল G বাস কৰে। Hৰ তলত কিমানগৰাকী ব্যক্তি বাস কৰে?

- A. তিনিগৰাকী ✓
- B. চাৰিগৰাকী
- C. এগৰাকী
- D. দুগৰাকী

**Q54** Group Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি প্ৰদত্ত শৃংখলাটোৰ প্ৰশ্নচিহ্ন (?)ৰ স্থানত কি আহিব?

DFJ MOS VXB EGK ?

- A. NOQ
- B. NQS
- C. NPT ✓
- D. NOS

**Q55** Letter Series

প্ৰদত্ত বৰ্ণ শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। গণনা বাওঁফালৰ পৰা সোঁফাললৈ কৰিব।

(বাওঁফাল) E D I S P V E I I S I A Q P W G U O I A E C (সোঁফাল)

এনে কিমানটা ব্যঞ্জনবৰ্ণ আছে, যাৰ প্ৰতিটোৰ ঠিক আগত এটা স্বৰবৰ্ণ আছে আৰু লগতে ঠিক পিছত এটা স্বৰবৰ্ণ আছে?

- A. 1
- B. 2 ✓
- C. 3
- D. 4

**Q56** Letters in a Given Word

ABANDON শব্দটোৰ প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণমালাৰ ক্ৰম অনুসৰি ইয়াৰ ঠিক পাছৰটো বৰ্ণলৈ সলনি কৰা হয় আৰু প্ৰতিটো ব্যঞ্জনবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি ইয়াৰ ঠিক আগৰটো বৰ্ণলৈ সলনি হয়। এইদৰে গঠিত নতুন বৰ্ণগোটত নিম্নলিখিত কোনটো বৰ্ণ সোঁফালৰ পৰা দ্বিতীয় স্থানত থাকিব?

- A. B
- B. P ✓
- C. M
- D. C

**Q57** Letters in a Given Word

এই প্ৰশ্নটো প্ৰদত্ত শব্দৰ ওপৰত আধাৰিত।

PER KGS NUS DAM

প্ৰতিটো শব্দৰ প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি ইয়াৰ ঠিক পৰৱৰ্তী বৰ্ণলৈ সলনি কৰা হয় আৰু প্ৰতিটো ব্যঞ্জনবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি ইয়াৰ ঠিক আগৰটো বৰ্ণলৈ সলনি কৰা হয়। এইদৰে গঠিত কিমানটা বৰ্ণ-গুচ্ছত স্বৰবৰ্ণ নাথাকিব?

- A. এটা
- B. চাৰিটা
- C. দুটা
- D. তিনিটা ✓

**Q58** Letters in a Given Word

এই প্ৰশ্নটো প্ৰদত্ত শব্দবোৰৰ ওপৰত আধাৰিত।

THIS KIND CORE FLOP

প্ৰতিটো শব্দৰ প্ৰতিটো বৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত ইয়াৰ ঠিক আগৰ বৰ্ণলৈ সলনি কৰা হয়, এইদৰে গঠিত কিমানটা শব্দত কমেও এটা স্বৰবৰ্ণ থাকিব?

- A. তিনিটা
- B. দুটা
- C. এটা ✓
- D. চাৰিটা

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q59** Missing Number

প্ৰদত্ত শৃংখলাটোৰ প্ৰশ্ন চিহ্ন (?)ৰ স্থানত কি আহিব?

81 64 49 36 25 ?

A. 14

B. 15

C. 18

D. 16 ✔

**Q60** Operation Based

এক নিৰ্দিষ্ট যুক্তি অনুসৰণ কৰি 41ৰ সৈতে 21 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি 65ৰ সৈতে 33 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি নিম্নলিখিত কোনটোৰ সৈতে 45 সম্পৰ্কিত?
(টোকা: সংখ্যাসমূহক ইহঁতৰ গঠনকাৰী অংকসমূহলৈ বিভক্ত নকৰাকৈ এই গাণিতিক প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ সংখ্যাৰ ওপৰত কৰা উচিত। যেনেকৈ 13ৰ ক্ষেত্ৰত - 13 ৰ ওপৰত কৰা যিকোনো গাণিতিক প্ৰক্ৰিয়া যেনে- যোগ/ বিয়োগ/ পূৰণ ইত্যাদি 13 ৰ ওপৰত কৰিব পাৰি। 13 ক 1 আৰু 3 লৈ ভাঙিলৈ 1 আৰু 3 ৰ ওপৰত গাণিতিক প্ৰক্ৰিয়াসমূহ কৰাটো অনুমোদিত নহয়।)

A. 93

B. 87

C. 89 ✔

D. 91

**Q61** Operator Swap

নিম্নলিখিত সমীকৰণটোত, যদি '×' মানে '−', '÷' মানে '×', '+' মানে '÷' আৰু '−' মানে '+' হয়, তেন্তে প্ৰশ্নবোধক চিহ্ন (?)টোৰ স্থানত কি আহিব?

8 ÷ 6 × 15 + 3 − 5 = ?

A. 37

B. 48 ✔

C. 39

D. 42

**Q62** Operator Swap

যদি 'A' মানে '÷', 'B' মানে '×', 'C' মানে '+' আৰু 'D' মানে '−' হয়, তেন্তে প্ৰদত্ত সমীকৰণটোৰ প্ৰশ্ন চিহ্ন (?)ৰ স্থানত কি আহিব?

89 C 72 A 12 B 4 D 25 = ?

A. 83

B. 87

C. 88 ✔

D. 85

**Q63** Operator Swap

নিম্নলিখিত সমীকৰণটোত, যদি + মানে - , - মানে × , × মানে ÷ , ÷ মানে + হয়, তেন্তে প্ৰশ্নবোধক চিহ্ন (?)ৰ স্থানত কি আহিব?
53 - 4 ÷ 18 + 64 × 8 = ?

A. 231

B. 222 ✔

C. 217

D. 219

**Q64** Pattern Based

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি এক নিৰ্দিষ্ট ধৰণে NQTWৰ সৈতে LORU সম্পৰ্কিত হৈ আছে। একে ধৰণে IJMNৰ সৈতে GHKL সম্পৰ্কিত হৈ আছে। একেটা যুক্তি অনুসৰণ কৰি নিম্নলিখিত কোনটো বিকল্পৰ সৈতে ZCFI সম্পৰ্কিত হৈ আছে?

A. BHYU

B. BHKO

C. BEHK ✔

D. BHER

**Q65** Pattern Based

নিম্নলিখিত যুটি দুটাই অনুসৰণ কৰাৰ দৰে একেটা আৰ্হি অনুসৰণ কৰা যুটিটো বাছনি কৰক। দুয়োটা যুটিয়ে একেটা আৰ্হি অনুসৰণ কৰে।
OJV : LGS
EOQ : BLN

A. ING : FKD ✔

B. EHL : CFI

C. TEL : OAI

D. KHG : GEC

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

**Q66** Pattern Based

নিম্নলিখিত দুটা যুটিয়ে অনুসৰণ কৰাৰ দৰে একেটা আৰ্হি অনুসৰণ কৰা যুটিটো বাছনি কৰক। দুয়োটা যুটিয়ে একেটা আৰ্হি অনুসৰণ কৰে।

KNS : HPV
LLL : INO

A. LVW : IWZ

B. MKP : JMR

C. FPI : CRL ✓

D. RJW : OLY

**Q67** Position Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি নিম্নলিখিত চাৰিটা বৰ্ণ-গুচ্ছৰ ভিতৰত তিনিটা এক নিৰ্দিষ্ট ধৰণে একে আৰু এইদৰে এটা গোট গঠন কৰে। কোনটো বৰ্ণ-গুচ্ছ সেই গোটৰ অন্তৰ্গত নহয়?
(টোকা: অমিলটো ব্যঞ্জনবৰ্ণ/স্বৰবৰ্ণৰ সংখ্যা বা বৰ্ণ-গুচ্ছত এইবোৰৰ স্থানৰ ভিত্তিত নহয়।)

A. RON

B. NLJ ✓

C. AXW

D. DAZ

**Q68** Position Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি নিম্নলিখিত চাৰিটা বৰ্ণ-গুচ্ছ যুটিৰ ভিতৰত তিনিটা এক নিৰ্দিষ্ট ধৰণে একে আৰু এইদৰে এটা গোট গঠন কৰে। কোনটো বৰ্ণ-গুচ্ছ যুটি সেই গোটৰ অন্তৰ্গত **নহয়**?
(টোকা: অমিলটো ব্যঞ্জনবৰ্ণ/স্বৰবৰ্ণৰ সংখ্যা বা বৰ্ণ-গুচ্ছত এইবোৰৰ স্থানৰ ভিত্তিত নহয়।)

A. OH - LC ✓

B. KR - HL

C. CN - ZH

D. QT - NN

**Q69** Rearrangement of Letters

NOTICE শব্দটোৰ প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত ইয়াৰ ঠিক আগত থকা চতুৰ্থ বৰ্ণটোৰে সলনি কৰা হয় আৰু তাৰ পিছত এনেদৰে গঠিত সকলো বৰ্ণ ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি সজোৱা হয়। এইদৰে গঠিত নতুন বৰ্ণৰ গোটত নিম্নলিখিত কোনটো বৰ্ণ সোঁফালৰ পৰা তৃতীয় স্থানত থাকিব?

A. A

B. T

C. K ✓

D. E

**Q70** Shortest Distance

পূজাই A বিন্দুৰ পৰা আৰম্ভ কৰি 18 km দক্ষিণ দিশলৈ গাড়ী চলায়। তাৰ পাছত তেওঁ সোঁফালে ঘূৰে আৰু 12 km গাড়ী চলায়, তেওঁ পুনৰ সোঁফালে ঘূৰে আৰু 25 km গাড়ী চলায়। তেওঁ আকৌ এবাৰ সোঁফালে ঘূৰে আৰু 13 km গাড়ী চলায়। তেওঁ অন্তিমবাৰৰ বাবে সোঁফালে ঘূৰে আৰু 7 km গাড়ী চলাই আৰু P বিন্দুত ৰৈ দিয়ে। পুনৰ A বিন্দুত উপনীত হ'বলৈ তেওঁ কিমান দূৰ (ন্যূনতম দূৰত্ব) আৰু কোন দিশলৈ গাড়ী চলাব লাগিব? (নিৰ্দিষ্ট নকৰালৈকে প্ৰতিবাৰ ঘূৰোঁতে কেৱল 90°ত ঘূৰে।)

A. 2 km পূব দিশলৈ

B. 1 km পূব দিশলৈ

C. 1 km পশ্চিম দিশলৈ ✓

D. 2 km পশ্চিম দিশলৈ

**Q71** Shortest Distance

ৰমাই A বিন্দুৰ পৰা খোজ কাঢ়িবলৈ আৰম্ভ কৰে। তেখেতে দক্ষিণ দিশলৈ 4 km খোজ কাঢ়িলে। তেখেতে বাওঁফালে ঘূৰি 6 km খোজ কাঢ়িলে। তাৰ পিছত তেখেতে সোঁফালে ঘূৰি 8 km খোজ কাঢ়িলে। আকৌ তেখেতে সোঁফালে ঘূৰি 6 km খোজ কাঢ়িলে। A বিন্দুত পুনৰ উপনীত হ'বলৈ তেখেতে কিমান দূৰ (সৰ্বনিম্ন দূৰত্ব) আৰু কোন দিশলৈ খোজ কাঢ়িব লাগে?

A. দক্ষিণ দিশলৈ 12 km

B. উত্তৰ দিশলৈ 12 km ✓

C. উত্তৰ দিশলৈ 8 km

D. দক্ষিণ দিশলৈ 8 km

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q72** Single Row (One-way/Both-way) ENGLISH

Six people, C, D, E, O, P and Q, are sitting in a row, facing north.
Only two people sit to the left of E. Only two people sit between E and Q. Only one person sits between Q and D. O sits to the immediate left of P.
How many people sit to the right of C?

A. None
B. Two
C. Three
D. One ✓

**Q73** Single Row (One-way/Both-way)

ছগৰাকী ব্যক্তি X, Y, Z, W, V আৰু U উত্তৰ দিশলৈ মুখ কৰি এটা শাৰীত বহি আছে।
X ৰ সোঁফালে কেৱল দুগৰাকী ব্যক্তি বহিছে। Uৰ ঠিক বাওঁফালে V বহিছে। X আৰু Wৰ মাজত কেৱল Z বহিছে। W শাৰীটোৰ সোঁপ্ৰান্তত বহা নাই।
শাৰীটোৰ একেবাৰে সোঁপ্ৰান্তত কোন বহিছে?

A. Z
B. U ✓
C. V
D. X

**Q74** Square/Cube Based

এটা নিৰ্দিষ্ট যুক্তি অনুসৰণ কৰি 255ৰ সৈতে 16 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি 120ৰ সৈতে 11 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি নিম্নলিখিত কোনটোৰ সৈতে 13 সম্পৰ্কিত?
(টোকা: সংখ্যাসমূহক ইহঁতৰ গঠনকাৰী অংকসমূহলৈ বিভক্ত নকৰাকৈ এই গাণিতিক প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ সংখ্যাৰ ওপৰত কৰা উচিত। যেনেকৈ 13ৰ ক্ষেত্ৰত - 13 ৰ ওপৰত কৰা যিকোনো গাণিতিক প্ৰক্ৰিয়া যেনে- যোগ/ বিয়োগ/ পূৰণ ইত্যাদি 13 ৰ ওপৰত কৰিব পাৰি। 13 ক 1 আৰু 3 লৈ ভাঙিলৈ 1 আৰু 3 ৰ ওপৰত গাণিতিক প্ৰক্ৰিয়াসমূহ কৰাটো অনুমোদিত নহয়।)

A. 138
B. 148
C. 168 ✓
D. 158

**Q75** Symbol Based

এটা নিৰ্দিষ্ট ক'ড ভাষাত,
A + B মানে 'A হৈছে Bৰ ভাতৃ',
A – B মানে 'A হৈছে Bৰ কন্যা',
A × B মানে 'A হৈছে Bৰ পত্নী', আৰু
A ÷ B মানে 'A হৈছে Bৰ পুত্ৰ'।

যদি 'P + Q – R × S ÷ T' হয়, তেন্তে P সম্পৰ্কত Tৰ কোন হয়?

A. কন্যাৰ পুত্ৰ
B. পুত্ৰৰ পুত্ৰ ✓
C. ভাতৃ
D. পুত্ৰ

**Q76** Symbol Based

এটা নিৰ্দিষ্ট ক'ড ভাষাত,
A + B মানে 'A হৈছে Bৰ পুত্ৰ',
A – B মানে 'A হৈছে Bৰ ভগ্নী',
A × B মানে 'A হৈছে Bৰ পত্নী' আৰু
A % B মানে 'A হৈছে Bৰ পিতৃ'।

যদি 'শ্বাহিদ + গৌৰী – হিমেশ % জয়া × ইশান্ত' হয়, তেন্তে শ্বাহিদ কিদৰে ইশান্তৰ সৈতে সম্পৰ্কিত?

A. পত্নীৰ মাতৃৰ ভাতৃৰ পুত্ৰ
B. পত্নীৰ মাতৃৰ ভগ্নীৰ পুত্ৰ
C. পত্নীৰ পিতৃৰ ভগ্নীৰ পুত্ৰ ✓
D. পত্নীৰ পিতৃৰ ভাতৃৰ পুত্ৰ

**Q77** Symbol Included Pattern

প্ৰদত্ত সংখ্যা আৰু চিহ্নৰ শৃংখলাটো লক্ষ্য কৰি নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। সকলো সংখ্যাই কেৱল এটা অংকৰ সংখ্যা।

(বাওঁফাল) 7 Ω 5 3 @ & 9 $ 6 % 8 ^ 4 # 1 * £ 2 (সোঁফাল)

যদি শৃংখলাটোৰ পৰা সকলো সংখ্যা বাদ দিয়া হয়, তেন্তে নিম্নলিখিত কোনটো বাওঁফালৰ পৰা ষষ্ঠ স্থানত থাকিব?

A. %
B. #
C. ^ ✓
D. $

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

### Q78 Symbol Included Pattern

প্ৰদত্ত সংখ্যা আৰু চিহ্নৰ শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। সকলো সংখ্যা কেৱল একক অংকৰ সংখ্যা।

(বাওঁফাল) 8 # 2 ! 3 $ % 6 & + 9 * % 4 # @ ! 7 + ? @ 1 + (সোঁফাল)

যদি শৃংখলাটোৰ পৰা সকলো চিহ্ন বাদ দিয়া হয়, তেন্তে নিম্নলিখিত কোনটো সোঁফালৰ পৰা সপ্তম হ'ব?

A. 9
B. 6
C. 3
D. 2 ✓

### Q79 Two Statement Sufficiency

প্ৰশ্নটোৰ পিছত (I) আৰু (II) নম্বৰযুক্ত দুটা বিবৃতি দিয়া হৈছে। বিবৃতিত দিয়া তথ্যসমূহ প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত হয়নে নহয় আপুনি সিদ্ধান্ত লব লাগিব। দুয়োটা বিবৃতি পঢ়ক আৰু উপযুক্ত উত্তৰটো বাছনি কৰক।

**Q.** পাঁচগৰাকী ব্যক্তি — A, B, C, D, আৰু E — এখন বৃত্তাকাৰ মেজৰ কেউফালে কেন্দ্ৰৰ মুখ কৰি বহি আছে। A আৰু Cৰ মাজত কোন বহিছে?
**(I)** Aৰ ঠিক সোঁফালে B বহিছে; Bৰ ঠিক সোঁফালে D বহিছে।
**(II)** Cৰ ঠিক বাওঁফালে E বহিছে; Aৰ কাষত D বহি থকা নাই।

A. কেৱল বিবৃতি I ত থকা তথ্য প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত, কিন্তু বিবৃতি II ত থকা তথ্য পৰ্যাপ্ত নহয়
B. প্ৰশ্নটোৰ উত্তৰ দিবলৈ বিবৃতি I আৰু বিবৃতি II দুয়োটা একেলগে ( আৰু কেৱল বিবৃতি I বা কেৱল বিবৃতি II নহয়) পৰ্যাপ্ত ✓
C. প্ৰশ্নটোৰ উত্তৰ দিবলৈ বিবৃতি I আৰু II দুয়োটা একেলগে পৰ্যাপ্ত নহয়
D. কেৱল বিবৃতি II ত থকা তথ্য প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত, কিন্তু বিবৃতি I ত থকা তথ্য পৰ্যাপ্ত নহয়

### Q80 Two Statement Syllogism

প্ৰদত্ত বিবৃতি আৰু সিদ্ধান্তসমূহ ভালদৰে পঢ়ক। সাধাৰণতে জনা তথ্যৰ পৰা পৃথক যেন লাগিলেও প্ৰদত্ত বিবৃতিসমূহত প্ৰদান কৰা তথ্যক শুদ্ধ বুলি মানিলৈ কোনটো(বোৰ) সিদ্ধান্তই প্ৰদত্ত বিবৃতিসমূহ যুক্তিসংগতভাৱে মানি চলে নিৰ্ণয় কৰক।

বিবৃতি:
কিছুমান চাবোন হৈছে পোৱালি।
কিছুমান পোৱালি হৈছে ফল।

সিদ্ধান্ত:
(I) কিছুমান চাবোন হৈছে ফল।
(II) সকলো ফল হৈছে পোৱালি।

A. কেৱল সিদ্ধান্ত (II)য়ে মানি চলে
B. সিদ্ধান্ত (I) আৰু (II) দুয়োটাই মানি চলে
C. সিদ্ধান্ত (I) অথবা (II) কোনোটোৱেই মানি নচলে ✓
D. কেৱল সিদ্ধান্ত (I)য়ে মানি চলে

## General Awareness

20 Questions • Answer Key

### Q81 Corporate & Organizational Heads

2026 চনৰ এপ্ৰিল মাহত ভাৰত চৰকাৰে অশোক লাহিড়ীক উপ-অধ্যক্ষ হিচাপে নিযুক্ত কৰি কোনটো ৰাষ্ট্ৰীয় নীতি বিষয়ক থিংক টেংক (national policy think tank) পুনৰ গঠন কৰিছিল?

A. NITI আয়োগ ✓
B. ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ
C. বিত্ত আয়োগ
D. ৰাষ্ট্ৰীয় পৰিসংখ্যা আয়োগ

### Q82 Corporate & Organizational Heads

কোনগৰাকীয়ে 2026–27 কাৰ্য্যকালৰ বাবে কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে?

A. অৰবিন্দ পানাগাৰিয়া
B. আৰ মুকুন্দন ✓
C. অশোক লাহিড়ী
D. ৰাজীৱ মেমানী

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q83** Cricket (IPL, WC, etc.)

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ 2026 ক্ৰিকেট টুৰ্ণামেন্টত ছিজনৰ ম'ষ্ট ভেলুৱেবল প্লেয়াৰ (Most Valuable Player) বঁটা কোনগৰাকী খেলুৱৈয়ে লাভ কৰিছে?

A. শিৱাংগ কুমাৰ
B. ডেৱাল্ড ব্ৰেভিছ
C. কাৰ্তিক শৰ্মা
D. বৈভৱ সূৰ্য্যবংশী ✓

**Q84** Cricket (IPL, WC, etc.)

কোন দুখন ক্ৰিকেট খেলা দেশে প্ৰধান আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতা 2026 ICC পুৰুষৰ T20 বিশ্ব কাপ যুটীয়াভাৱে আয়োজন কৰিছিল?

A. অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড
B. ৱেষ্ট ইণ্ডিজ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ
C. ইংলেণ্ড আৰু ৱেলছ
D. ভাৰত আৰু শ্ৰীলংকা ✓

**Q85** Defense & Technology

নিম্নলিখিত কোনখন ৰাজ্যত নৌসেনাৰ জাহাজ য়াৰ্ড 1280 (শচী) 2026 চনৰ 31 মাৰ্চত মুকলি কৰা হৈছিল?

A. অন্ধ্ৰ প্ৰদেশ
B. মহাৰাষ্ট্ৰ
C. গোৱা ✓
D. তামিলনাডু

**Q86** Environment Current Affairs

কোন ভাৰতীয় ৰাজ্যৰ উপকূলত, অক্টোবৰ 2025ত ভাৰতত প্ৰভাৱ পেলোৱা মন্থা ঘূৰ্ণীবতাহে, ভূমিস্পৰ্শ বা লেণ্ডফল কৰিছিল?

A. অন্ধ্ৰপ্ৰদেশ ✓
B. তামিলনাডু
C. পশ্চিমবংগ
D. ওড়িশা

**Q87** IT Policies & Regulation

ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা (DPDP) আইন, 2023 আৰু ইয়াৰ 2025ৰ নিয়মাৱলীয়ে শিশুৰ সুৰক্ষাৰ বাবে "পৰীক্ষাযোগ্য অভিভাৱকৰ সন্মতি (verifiable parental consent)" প্ৰদান কৰে। নিম্নলিখিত কোনটো অনলাইন কাৰ্য এই পৰিকাঠামোৰ অধীনত স্পষ্টভাৱে নিষিদ্ধ কৰা হৈছে?

A. স্বয়ংক্ৰিয় বয়স-সীমা নিৰ্ধাৰণ প্ৰ'ট'কলৰ পিছত শিশুৰ তথ্য প্ৰক্ৰিয়াকৰণ কৰা
B. শিশুসকলৰ আচৰণগত নিৰীক্ষণ আৰু লক্ষ্যভিত্তিক বিজ্ঞাপন ✓
C. শৈক্ষিক গৱেষণাৰ বাবে তৃতীয় পক্ষৰ সৈতে বেনামী তথ্য ভাগ বতৰা কৰা
D. অভিভাৱকৰ সন্মতি সাপেক্ষে জৰুৰীকালীন সেৱাৰ বাবে ভৌগোলিক অৱস্থানৰ তথ্য সংগ্ৰহ কৰা

**Q88** Individual Records

2026 চনৰ মে' মাহত কোনগৰাকী ভাৰতীয় এথলীট পুৰুষৰ 100 m ইভেণ্ট 10.10 চেকেণ্ডতকৈ কম সময়ত দৌৰা প্ৰথমগৰাকী ভাৰতীয় স্প্ৰিণ্টাৰ হিচাপে পৰিগণিত হয়?

A. গুৰিন্দৰবীৰ সিং ✓
B. গুলবীৰ সিং
C. বিশাল টি. কে
D. তেজস্বীন শংকৰ

**Q89** Key Announcements

FY 2026 – 27ৰ লিংগ বাজেট বিবৃতি (Gender Budget Statement)ত মহিলা আৰু কন্যাৰ কল্যাণৰ বাবে কিমান পৰম (absolute) বিত্তীয় ধনৰাশি নিৰ্ধাৰণ কৰা হৈছিল?

A. ₹5.00 লাখ কোটি ✓
B. ₹3.50 লাখ কোটি
C. ₹4.49 লাখ কোটি
D. ₹5.41 লাখ কোটি

**Q90** Military Exercises

2026 চনৰ ফেব্ৰুৱাৰীত কোন স্থানত অনুশীলন বায়ুশক্তি 2026 অনুষ্ঠিত কৰা হৈছিল?

A. পোখৰান ফিল্ড ফায়াৰিং ৰেঞ্জ, জেচলমেৰ, ৰাজস্থান ✓
B. হিন্দন এয়াৰফৰ্চ ষ্টেচন, উত্তৰ প্ৰদেশ
C. সূৰ্যলংকা এয়াৰফৰ্চ ষ্টেচন, অন্ধ্ৰ প্ৰদেশ
D. এয়াৰফৰ্চ ষ্টেচন যোধপুৰ, ৰাজস্থান

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q91** Military Exercises

2026 চনৰ এপ্ৰিল মাহত ভাৰত–শ্ৰীলংকা দ্বিপাক্ষিক ডাইভিং অনুশীলন (IN-SLN DIVEX 2026)ৰ 4ৰ্থ সংস্কৰণ ক'ত অনুষ্ঠিত হৈছিল?

- A. কলম্বো, শ্ৰীলংকা ✓
- B. বিশাখাপট্টনম, ভাৰত
- C. কোচি, ভাৰত
- D. ট্ৰিংকোমালি, শ্ৰীলংকা

**Q92** National Current Affairs

2026 চনৰ মে' মাহত ভাৰতৰ কোনখন ৰাজ্যত ভাৰতীয় জনতা পাৰ্টীয়ে প্ৰথমবাৰৰ বাবে চৰকাৰ গঠন কৰিছিল?

- A. তামিলনাডু
- B. কেৰালা
- C. ওড়িশা
- D. পশ্চিম বংগ ✓

**Q93** New Parks & Reserves

2026 চনত গুজৰাটৰ ছাৰি-ধাণ্ডে কোনটো আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ স্বীকৃতি লাভ কৰাৰ পিছত বাতৰিৰ শিৰোনাম দখল কৰিছিল?

- A. বৈশ্বিক ব্যাঘ্ৰ আৱাসস্থলী মৰ্যাদা
- B. বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি
- C. ৰামছাৰ ক্ষেত্ৰ হিচাপে অন্তৰ্ভুক্তি ✓
- D. UNESCO জৈৱমণ্ডল সংৰক্ষিত বনাঞ্চলৰ মৰ্যাদা

**Q94** Olympics, CWG, Asian Games

কোনখন চহৰে 2026 চনৰ 22 এপ্ৰিলৰ পৰা 30 এপ্ৰিললৈ 6ষ্ঠ এছিয়ান বিচ্চ গেমছ (6th Asian Beach Games) আয়োজন কৰিছিল?

- A. গুৱাংঝু (Guangzhou)
- B. বেইজিং (Beijing)
- C. চান্যা (Sanya) ✓
- D. হাংঝু (Hangzhou)

**Q95** Rate Changes

2026 চনৰ ফেব্ৰুৱাৰী মাহত, RBIয়ে দ্বিমাসিক মৌদ্ৰিক নীতি পুনৰ্বিলোকন ঘোষণা কৰাৰ সময়ত কোনটো মৌদ্ৰিক নীতিৰ স্থিতি অব্যাহত ৰাখিছিল?

- A. কঠোৰ নীতিৰ অৱস্থান বাহাল ৰাখিছিল
- B. প্ৰসাৰণমূলক নীতিৰ অৱস্থান বাহাল ৰাখিছিল
- C. উদাৰ নীতিৰ অৱস্থান বাহাল ৰাখিছিল
- D. নিৰপেক্ষ নীতিৰ অৱস্থান বাহাল ৰাখিছিল ✓

**Q96** Recent Awards & Honors

বায়'স্পেকট্ৰাম ইণ্ডিয়া এক্সেলেন্স এৱাৰ্ডছ 2025ত কোষ আৰু জিন থেৰাপীৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা অগ্ৰণী কামৰ বাবে কোনটো প্ৰতিষ্ঠানে 'বিশেষ স্বীকৃতি বঁটা' (Special Recognition Award) লাভ কৰিছে?

- A. মিল্টেনি বায়'টেক ইণ্ডিয়া প্ৰাইভেট লিমিটেড (Miltenyi Biotec India Pvt. Ltd) ✓
- B. ৰিলায়েন্স লাইফ ছায়েন্সেজ (Reliance Life Sciences)
- C. ছিৰাম ইনষ্টিটিউট (Serum Institute)
- D. ভাৰত বায়'টেক (Bharat Biotech)

**Q97** Recent ISRO Missions

কোনটো অভিযান 2025 চনৰ ডিচেম্বৰ মাহত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ই সম্পন্ন কৰা LVM3 উৎক্ষেপণ বাহনৰ ষষ্ঠ পৰিচালনাগত উৰণৰ সময়ত AST SpaceMobile (AST স্পেছ ম'বাইল)ৰ যোগাযোগ উপগ্ৰহ উৎক্ষেপণৰ সৈতে জড়িত আছিল?

- A. চন্দ্ৰযান-3 অভিযান (Chandrayaan-3 Mission)
- B. LVM3-M5/CMS-03 অভিযান (LVM3-M5 / CMS-03 Mission)
- C. ৱানৱেব উৎক্ষেপণ অভিযান (OneWeb Launch Mission)
- D. LVM3-M6/ব্লুবাৰ্ড ব্লক-2 অভিযান (LVM3-M6 / BlueBird Block-2 Mission) ✓

**Q98** Republic Day, Independence Day, etc.

2026 চনৰ জানুৱাৰী মাহত, ভাৰতে এগৰাকী নেতাৰ বলিদানক স্মৰণ কৰি ৰাজঘাটত গম্ভীৰ অনুষ্ঠান আৰু শ্ৰদ্ধাঞ্জলিৰে এটা দিন পালন কৰে। এই ৰাষ্ট্ৰীয় স্মৃতিচাৰণৰ বাবে কোনটো তাৰিখ আনুষ্ঠানিকভাৱে চিহ্নিত কৰা হৈছে?

- A. শ্বহীদ দিৱস ✓
- B. সুশাসন দিৱস
- C. ৰাষ্ট্ৰীয় সংহতি দিৱস
- D. সংবিধান দিৱস

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play
generated by rank.qmaths.in

**Q99** Summits & Conferences

কোনখন দেশে 2026 চনৰ 26 মাৰ্চৰপৰা 30 মাৰ্চলৈকে য়াউণ্ডে (Yaoundé)ত অনুষ্ঠিত WTOৰ চতুৰ্দশ মন্ত্ৰীপৰ্য্যায়ৰ সন্মিলন (MC14) আয়োজন কৰিছিল?

- **A.** ছুইজাৰলেণ্ড
- **B.** কেনিয়া
- **C.** দক্ষিণ আফ্ৰিকা
- **D.** কেমেৰুণ ✓

**Q100** Treaties & Agreements

2026 চনৰ মে' মাহত, ভাৰতে সিন্ধু জল চুক্তিৰ (Indus Waters Treaty) বিবাদ সন্দৰ্ভত কোনটো আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ ৰায় নাকচ কৰিছিল?

- **A.** আন্তৰাষ্ট্ৰীয় অপৰাধী আদালতৰ ন্যায়িক সমীক্ষা কক্ষ (International Criminal Court judicial review chamber)
- **B.** আন্তৰাষ্ট্ৰীয় সমুদ্ৰ আইন ন্যায়াধীকৰণৰ পেনেল (International Tribunal for the Law of the Sea panel)
- **C.** ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ নিষেধাজ্ঞা সমিতি (United Nations Security Council sanctions committee)
- **D.** হেগ স্থিত স্থায়ী মধ্যস্থতা আদালত ন্যায়াধীকৰণ (Permanent Court of Arbitration tribunal at The Hague) ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

## General Science

25 Questions • Answer Key

**Q1** Atomic Structure & Models

থমছনৰ আৰ্হিয়ে ব্যাখ্যা কৰিব নোৱাৰে:

A. পৰমাণুৰ ভৰ

B. ইলেক্ট্ৰনৰ উপস্থিতি

C. পৰমাণুৰ নিৰপেক্ষতা

D. ৰাডাৰফৰ্ডৰ পৰীক্ষামূলক ফলাফলসমূহ ✓

**Q2** Basic Organic Chemistry

এগৰাকী শিক্ষকে শিক্ষাৰ্থীসকলক বিউটেন (butane) আৰু আইছ'বিউটেনৰ (isobutane) গঠন আঁকিবলৈ দিলে। এই দুয়োটা অণুৰ মাজত মুখ্য পাৰ্থক্য কি?

A. দুয়োটা চক্ৰীয় হাইড্ৰ'কাৰ্বন

B. বিউটেনত এটা সুগন্ধি বলয় থাকে, কিন্তু আইছ'বিউটেনত নাথাকে

C. আইছ'বিউটেনত বিউটেনতকৈ কম সংখ্যক কাৰ্বন পৰমাণু থাকে

D. বিউটেন এটা সৰল শৃংখল, আনহাতে আইছ'বিউটেন এটা শাখা শৃংখলযুক্ত সমযোগী ✓

**Q3** Chemical Bonding (Ionic, Covalent)

মৌলবোৰৰ পৰমাণুসমূহে ইইঁতৰ আটাইতকৈ বাহিৰৰ শ্বেলটোত এক ______________ বিন্যাস লাভ কৰিবলৈ বিক্ৰিয়াত অংশগ্ৰহণ কৰে।

A. অষ্টক ✓

B. ডুপ্লেট

C. ত্ৰিক

D. হেপ্টেট

**Q4** Chemical Reactions

এটা দ্ৰৱণত, কোনটো পৰ্যবেক্ষণে এটা ৰাসায়নিক পৰিৱৰ্তন সংঘটিত হোৱাটো সূচায়?

A. অধঃক্ষেপৰ গঠন ✓

B. পদাৰ্থসমূহৰ সুষম মিশ্ৰণ

C. কেৱল উষ্ণতা বৃদ্ধি

D. কঠিন পদাৰ্থ দ্ৰবীভূত কৰা

**Q5** Current Electricity (Ohm's Law, Circuits)

এডাল 10 ohms ৰোধযুক্ত তাঁৰ এটা 12 V বেটাৰীৰ সৈতে সংযুক্ত কৰা হয়। যদি প্ৰথমডালৰ সৈতে আন এডাল সদৃশ তাঁৰ সমান্তৰালভাৱে সংযোগ কৰা হয়, তেন্তে দুয়োডাল তাঁৰে একেলগে ব্যয় কৰা মুঠ ক্ষমতা বা পাৱাৰ (power) কিমান হ'ব?

A. 28.8 W ✓

B. 120 W

C. 14.4 W

D. 1.44 W

**Q6** Ecosystem & Food Chain

পৰিস্থিতিতন্ত্ৰত শক্তি প্ৰবাহৰ বিষয়ে নিম্নলিখিত কোনটো বিবৃতি শুদ্ধ?

A. বেছিভাগ শক্তিক পৰিস্থিতিতন্ত্ৰৰ ভিতৰত জৈৱভৰ গঠন কৰিবলৈ ব্যৱহাৰ কৰা হয়

B. পৰিস্থিতিতন্ত্ৰৰ ভিতৰত শক্তি স্থিৰ থাকে

C. পৰিস্থিতিতন্ত্ৰৰ ভিতৰত বিযোজকে শক্তিৰ পুনৰাৱৰ্তন কৰে

D. পৰিস্থিতিতন্ত্ৰত শক্তি এটা দিশত প্ৰবাহিত হয় ✓

**Q7** Ecosystem & Food Chain

এখন তৃণভূমিৰ খাদ্য জালত, শহাপহু আৰু পোক-পতংগই ঘাঁহ খায়। ভেকুলীয়ে পোক-পতংগ খায় আৰু শিয়ালে শহাপহু খায়। যদি পতংগৰ সংখ্যা হঠাতে বহুত কমি যায়, তেন্তে কোনটো প্ৰভাৱ হোৱাৰ আটাইতকৈ বেছি সম্ভাৱনা আছে?

A. ঘাঁহ বিলুপ্ত হৈ যাব

B. শিয়ালৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাব

C. শহাপহুৰ সংখ্যা হ্ৰাস হ'ব

D. ভেকুলীৰ সংখ্যা হঠাতে হ্ৰাস পাব ✓

**Q8** Electromagnetic Induction

কোনটো ব্যৱস্থা (ছেটআপে)ই এটা কুণ্ডলীত বৃহৎ পৰিমাণৰ আৱিষ্ট প্ৰবাহ সৃষ্টি কৰাৰ সম্ভাৱনা আটাইতকৈ বেছি?

A. কুণ্ডলীটোত তাঁৰৰ পাকৰ সংখ্যা হ্ৰাস কৰিলে

B. কুণ্ডলীটোত তাঁৰৰ পাকৰ সংখ্যা বৃদ্ধি কৰিলে ✓

C. চুম্বকটো অধিক লাহে লাহে লৰচৰ কৰিলে

D. এটা সৰু চুম্বক ব্যৱহাৰ কৰিলে

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q9** Five Kingdom Classification

শ্ৰেণীবিভাজন পদ্ধতি পৰ্যালোচনা কৰাৰ সময়ত এগৰাকী জীৱবিজ্ঞানীয়ে এমিবাক দুই-ৰাজ্য পদ্ধতিত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত বিভ্ৰান্তি দেখা পালে। কোনটো মুখ্য বৈশিষ্ট্যৰ বাবে এই বিভ্ৰান্তিৰ সৃষ্টি হৈছিল?

- A. এমিবা সালোক-সংশ্লেষণকাৰী আৰু বহুকোষী
- B. এমিবাৰ এটা প্ৰকৃত নিউক্লিয়াছ থাকে আৰু ই স্বপোষী
- C. এমিবা এককোষী, চলনক্ষম আৰু পৰপোষী ✓
- D. এমিবাৰ কোষবেৰ নাথাকে আৰু ই স্থিৰ বা গতিহীন

**Q10** Mechanics ENGLISH

Which physical quantity is defined as the rate of change of velocity with respect to time?

- A. Acceleration ✓
- B. Speed
- C. Distance travelled
- D. Displacement

**Q11** Mechanics ENGLISH

Which quantity indicates the factor by which a simple machine multiplies the applied force?

- A. Velocity ratio
- B. Mechanical advantage ✓
- C. Input work
- D. Efficiency

**Q12** Mirrors & Lenses

এখন উত্তল লেন্‌ছে লক্ষ্যবস্তুৰ আকাৰতকৈ তিনিগুণ ডাঙৰ এটা সৎ আৰু ওলোটা প্ৰতিবিম্ব গঠন কৰে। যদি লক্ষ্যবস্তুটো লেন্‌ছখনৰপৰা 30 cmত ৰখা হয়, তেন্তে লেন্‌ছখনৰ ক্ষমতাৰ নিকটতম আনুমানিক মান কিমান?

- A. +1 D
- B. +4.44 D ✓
- C. +2 D
- D. +3.2 D

**Q13** Newton's Laws of Motion

গতিৰ প্ৰথম সূত্ৰ অনুসৰি, এখন মসৃণ, আনুভূমিক পৃষ্ঠত বাগৰি থকা (ball rolling) এটা বলৰ ওপৰত যদি কোনো বাহ্যিক বলে ক্ৰিয়া নকৰে, তেন্তে বলটোৰ কি হ'ব?

- A. বলটোৱে স্বয়ংক্ৰিয়ভাৱে নিজৰ দিশ সলনি কৰিব
- B. বলটোৰ দ্ৰুতি নিজেই বৃদ্ধি পাব
- C. বলটো একে দিশতে স্থিৰ দ্ৰুতিৰে বাগৰি গৈ থাকিব ✓
- D. বলটোৰ ক্ৰমান্বয়ে মন্থৰ হ'ব আৰু ই নিজে ৰৈ যাব

**Q14** Physical & Chemical Properties

কোনটো ধাতুৱে বায়ুত উত্তপ্ত কৰিলে ইয়াৰ পৃষ্ঠত এটা অক্সাইডৰ সুৰক্ষা আৱৰণ গঠন কৰে, যিয়ে অধিক জাৰণ ৰোধ কৰে?

- A. লো
- B. ছ'ডিয়াম
- C. এলুমিনিয়াম ✓
- D. কপাৰ

**Q15** Physical & Chemical Properties

নিম্নলিখিত কোনটো পৰ্যৱেক্ষণে ধাতু এটাৰ ক্ষয়ীভৱনক শুদ্ধভাৱে প্ৰতিনিধিত্ব কৰে?

- A. ছিলভাৰ পানীত সম্পূৰ্ণৰূপে দ্ৰৱীভূত হৈ পৰে
- B. লোৰ পৃষ্ঠত এটা ৰঙচুৱা-মুগাবৰণৰ তৰপৰ সৃষ্টি হয় ✓
- C. তীব্ৰভাৱে উত্তপ্ত কৰিলে কপাৰৰ তাঁৰ গলি যায়
- D. যান্ত্ৰিক বল প্ৰয়োগ কৰিলে এলুমিনিয়াম ভাঙি যায়

**Q16** Plant Biology

চলন (movement)ৰ সময়ত উদ্ভিদ কোষৰ আকৃতি সলনি হোৱাৰ কাৰণ কি?

- A. বিশেষ প্ৰ'টিন
- B. উষ্ণতা
- C. পোহৰ শক্তি
- D. পানীৰ পৰিমাণ ✓

**Q17** Properties & Tests

ভিন্ন এচিডে একেধৰণৰ ৰাসায়নিক ধৰ্ম দেখুৱায় কাৰণ জলীয় দ্ৰৱত আটাইবোৰেই তলৰ কোনটো আয়ন উৎপন্ন কৰে?

- A. হাইড্ৰক্সাইড আয়ন
- B. ক্ল'ৰিন আয়ন
- C. হাইড্ৰ'জেন আয়ন ✓
- D. ছ'ডিয়াম আয়ন

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q18** Reflection & Refraction

প্ৰিজমৰ সন্দৰ্ভত আপতিত ৰশ্মি আৰু নিৰ্গত ৰশ্মিৰ মাজৰ কোণটো কি?

A. নিৰ্গত কোণ

B. প্ৰতিসৰণ কোণ

C. আপতন কোণ

D. বিচ্যুতি কোণ ✓

**Q19** Reproductive System

এগৰাকী মহিলাই IVF কৰে আৰু তেওঁৰ জৰায়ুত নিষেচিত ডিম্বাণু সংৰোপণ কৰা হয়। নিম্নলিখিত কোনটোৱে এই পৰিস্থিতিত তেওঁৰ গৰ্ভাৱস্থাৰ চিকিৎসাজনিত (ক্লিনিকেল) আৰম্ভণি চিহ্নিত কৰে?

A. যোজন কোষৰ প্ৰাৰম্ভিক বিভাজন

B. নিষেচিত ডিম্ব সংৰোপণ ✓

C. গৱেষণাগাৰত হস্তকৃত নিষেচনকৰণ

D. ডিম্বাণুৰ প্ৰাকৃতিক ডিম্বক্ষৰণ

**Q20** Reproductive System

মানুহৰ ক্ষেত্ৰত, কোনটো প্ৰজনন কোষৰ এডাল নেজ থাকে যিয়ে ইয়াক ডিম্বৰ ফাললৈ সাঁতুৰি যোৱাত সহায় কৰে?

A. যোজন কোষ

B. ডিম্বাণু

C. ভ্ৰূণ

D. শুক্ৰাণু ✓

**Q21** Respiratory System

মানুহৰ হাঁওফাঁওৰ ক্ষুদ্ৰতম নলীবোৰৰ প্ৰান্তত অৱস্থিত ক্ষুদ্ৰ ক্ষুদ্ৰ বেলুনসদৃশ অংগবোৰক কি বুলি কোৱা হয়?

A. ব্ৰংকাই

B. বায়ুকুপ ✓

C. ব্ৰংকাইঅ'লচ্

D. ভিলাই

**Q22** Soaps & Detergents

ডিটাৰ্জেণ্টৰ চাফা কৰা কাৰ্য ___________ত আটাইতকৈ বেছি ফলপ্ৰসূ হয়।

A. ক্ষাৰকীয় মাধ্যম ✓

B. অতিমাত্ৰা আম্লিক মাধ্যম

C. প্ৰশম মাধ্যম

D. আম্লিক মাধ্যম

**Q23** Wave Properties (Frequency, Wavelength)

যদি এটা বাদ্যযন্ত্ৰই 200 Hz কম্পনাংকৰ শব্দ উৎপন্ন কৰে, তেন্তে নিম্নলিখিত কোনটো কম্পনাংকই এই বাদ্যযন্ত্ৰতকৈ উচ্চতৰ তীক্ষ্ণতাৰ শব্দ উৎপন্ন কৰিব?

A. 350 Hz ✓

B. 150 Hz

C. 180 Hz

D. 120 Hz

**Q24** Winds & Pressure Belts

পাহাৰীয়া গাঁও এখনৰ এগৰাকী চিকিৎসকে লক্ষ্য কৰিলে যে পৰ্বতৰ পাদদেশৰ ওচৰৰ শোৱনিকোঠাবোৰ ৰাতি বেছি ঠাণ্ডা অনুভৱ হয়। কোনটো বায়ুমণ্ডলীয় প্ৰক্ৰিয়াই এই পৰ্যবেক্ষণটো আটাইতকৈ ভালদৰে ব্যাখ্যা কৰিব পাৰে?

A. আৰ্দ্ৰ বতাহ সাগৰীয় বতাহ হিচাপে প্ৰবাহিত হোৱা

B. শীতল বতাহ পৰ্বতীয়া বতাহ হিচাপে নামি অহা ✓

C. উষ্ম বতাহ উপত্যকাৰ বতাহ হিচাপে ওপৰলৈ উঠা

D. শীতল বতাহ স্থলজ বতাহ হিচাপে গতি কৰা

**Q25** Work, Energy & Power

M ভৰৰ এখন বাহনে V বেগত যাত্ৰা কৰে। যদি ইয়াৰ গতিশক্তি 9 গুণ বৃদ্ধি পায়, তেন্তে ইয়াৰ বেগ কিমান সলনি হয়?

A. বেগ নগুণ বৃদ্ধি হয়

B. বেগ দুগুণ হয়

C. বেগ চাৰিগুণ হয়

D. বেগ তিনিগুণ হয় ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

**Q26** 3-Year Difference

এগৰাকী ব্যক্তিয়ে দেখা পালে যে এক নিৰ্দিষ্ট মূলধনত বছৰি 5% হাৰৰ সুতত 3 বছৰৰ চক্ৰবৃদ্ধি সুত, ইয়াৰ সৰল সুততকৈ ₹61 বেছি হয়। মূলধনটো কিমান?

- A. ₹8,000 ✓
- B. ₹7,890
- C. ₹9,400
- D. ₹8,200

**Q27** AA, SAS, SSS Similarity

ত্ৰিভুজ ABCত, ∠A = 30°, ∠B = 60° আৰু ∠C = 90°। ত্ৰিভুজ DEFত, ∠D = 30°, ∠E = 60° আৰু ∠F = 90°। যদি AB:DE = 2:3 হয়, তেন্তে ত্ৰিভুজ দুটাৰ কালিৰ অনুপাত কি?

- A. 1:2
- B. 4:9 ✓
- C. 2:1
- D. 3:5

**Q28** Annual Compounding

কৃষৰ হাতত ₹1681 আছিল। তেওঁ এই ধনখিনি তেওঁৰ দুগৰাকী পুত্ৰ বীৰ আৰু নীতিনৰ মাজত ভগাই দিলে আৰু তেওঁলোকক বাৰ্ষিক 5% হাৰৰ চক্ৰবৃদ্ধি সুতত, বাৰ্ষিক চক্ৰবৃদ্ধি হোৱাকৈ, বিনিয়োগ কৰিবলৈ ক'লে। দেখা গ'ল যে বীৰ আৰু নীতিনে ক্ৰমে 12 বছৰ আৰু 13 বছৰৰ অন্তত সমান পৰিমাণৰ ধন লাভ কৰিছিল। কৃষে বীৰক কিমান ধন দিছিল (₹ত)?

- A. 820
- B. 861 ✓
- C. 920
- D. 711

**Q29** Average Speed

ৰমেশে প্ৰথম 2 ঘন্টাত 60 km প্ৰতি ঘন্টা দ্ৰুতিৰে যাত্ৰা কৰে। পৰৱৰ্তী দুঘন্টা, তেওঁ 50 km প্ৰতি ঘন্টা দ্ৰুতিৰে যাত্ৰা কৰে। তেওঁৰ সমগ্ৰ যাত্ৰাটোৰ গড় দ্ৰুতি (km প্ৰতি ঘন্টাত) নিৰ্ণয় কৰক।

- A. 65
- B. 60
- C. 50
- D. 55 ✓

**Q30** Basic TSD

এখন বাছে 60 kmph গড় দ্ৰুতিৰে গ'লে নিৰ্ধাৰিত সময়ত গন্তব্যস্থানত গৈ পায় আৰু যদি বাছখন 55 kmph গড় দ্ৰুতিৰে যায়, তেন্তে ই 10 মিনিট পলমকৈ গৈ পায়। যাত্ৰাটোৰ মুঠ দূৰত্ব কিমান?

- A. 120 km
- B. 100 km
- C. 70 km
- D. 110 km ✓

**Q31** Dividing Quantity in Ratio

কিছুমান লাডু চাৰিটা বাকচ A, B, C আৰু Dত 5:6:8:3 অনুপাতত ভৰোৱা হৈছে। যদি C বাকচত A বাকচতকৈ 225 টা অধিক লাডু আছে, তেন্তে D বাকচটোত কিমানটা লাডু আছে?

- A. 225 ✓
- B. 275
- C. 300
- D. 375

**Q32** Family Age Problems

5 বছৰ আগতে এগৰাকী মাতৃৰ বয়স তেওঁৰ কন্যাৰ বয়সৰ তিনিগুণতকৈ 12 বছৰ বেছি আছিল। বৰ্তমানৰ পৰা কিমান বছৰৰ পিছত মাতৃগৰাকীৰ বয়স কন্যাৰ বয়সৰ তিনিগুণ হ'ব?

- A. 4 বছৰ
- B. 3 বছৰ
- C. 1 বছৰ ✓
- D. 2 বছৰ

**Q33** Find Principal

পদ্মিনীয়ে বছৰি 10% হাৰৰ সৰল সুতত 5 বছৰৰ বাবে এটা নিৰ্দিষ্ট পৰিমাণৰ ধনৰাশি ধাৰলৈ লৈছিল। যদি 5 বছৰৰ পাছত পৰিশোধ কৰিবলগীয়া মুঠ ধনৰ পৰিমাণ ₹24,000 হয়, তেন্তে ধনৰাশিটো নিৰ্ণয় কৰক।

- A. ₹15,800
- B. ₹18,000
- C. ₹16,000 ✓
- D. ₹17,400

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q34** Order of Operations

মান নিৰ্ণয় কৰক: 16 - 5 × 4 + 5

A. 1 ✓

B. 3

C. -1

D. 0

**Q35** Percentage Increase/Decrease

ৰমনৰ আয় হৈছে ₹10,200; তেখেতে নিজৰ আয়ৰ 30% সঞ্চয় কৰে। যদি তেখেতৰ আয় 14% বৃদ্ধি পায় আৰু ব্যয় 40% বৃদ্ধি হয়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹1,428 হ্ৰাস পাব ✓

B. ₹1,429 বৃদ্ধি হ'ব

C. ₹1,427 হ্ৰাস পাব

D. ₹1,430 বৃদ্ধি হ'ব

**Q36** Profit/Loss Percentage

ব্যৱসায়ী এগৰাকীয়ে মুঠ ₹6,000 মূল্যত 10টা সদৃশ বস্তু ক্ৰয় কৰে। তেওঁ তাৰে 6টা বস্তু 15% লাভত আৰু বাকী 4টা বস্তু 10% লোকচানত বিক্ৰী কৰে। তেওঁৰ সামগ্ৰিক লাভ বা লোকচানৰ শতাংশ নিৰ্ণয় কৰক।

A. 10% লোকচান

B. 5% লাভ ✓

C. 10% লাভ

D. 5% লোকচান

**Q37** Proportion

চাৰিটা সংখ্যা a, b, c, d সমানুপাতত আছে। যদি a = 32, b = 72, আৰু c = 180 হয়, তেন্তে d ৰ মান কিমান?

A. 415

B. 410

C. 405 ✓

D. 400

**Q38** Rules for 2,3,4,5,6

7টা অংকবিশিষ্ট 39A122B সংখ্যাটো 3ৰে পূৰ্ণবিভাজ্য। (A + B)ৰ ন্যূনতম মান কিমান?

A. 2

B. 6

C. 1 ✓

D. 3

**Q39** Rules for 7,8,9,11

যদি 7টা অংকবিশিষ্ট 29009A6 সংখ্যাটো 7ৰে পূৰ্ণবিভাজ্য হয়, তেন্তে Aৰ ন্যূনতম মান কিমান?

A. 1

B. 5

C. 9

D. 2 ✓

**Q40** Single Change

এগৰাকী কৰ্মচাৰীৰ বেতন ₹50,000ৰ পৰা ₹45,000লৈ হ্ৰাস পাইছে। হ্ৰাস পোৱা বেতনৰ শতাংশ নিৰ্ণয় কৰক।

A. 8%

B. 12%

C. 10% ✓

D. 15%

**Q41** Successive Discount

চাৰিখন দোকান I, II, III আৰু IVত কুকাৰ এটাৰ ছপা মূল্য একে। কুকাৰটোৰ ছপা মূল্যত দোকান I-ত 90% আৰু 61%ৰ দুটা ক্ৰমাগত ৰেহাই, দোকান IIত 15% আৰু 98%ৰ ক্ৰমাগত ৰেহাই, দোকান IIIত 28% আৰু 99%ৰ ক্ৰমাগত ৰেহাই আৰু দোকান IVত 91%, 37% আৰু 95%ৰ ক্ৰমাগত ৰেহাই আগবঢ়োৱা হৈছে।
কোনখন দোকানে সৰ্বনিম্ন মূল্যত কুকাৰ বিক্ৰী কৰিছে?

A. IV ✓

B. III

C. I

D. II

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q42** Ungrouped Data Mode

এখন দোকানত এদিনত বিক্ৰী হোৱা বেগৰ আকাৰবোৰ তলত দিয়া হৈছে:

10, 4, 6, 8, 7, 4, 8, 2, 9, 5, 4, 6, 9

তথ্যখিনিৰ বহুলক নিৰ্ণয় কৰক।

A. 5

B. 1

C. 2

D. 4 ✓

**Q43** Weighted Average

এটা সমীক্ষাত, এটা সামগ্ৰীক 4 গৰাকী ব্যক্তিয়ে 5 ৰেটিং দিছিল আৰু 6 গৰাকী ব্যক্তিয়ে ইয়াক 3 ৰেটিং দিছিল। ভাৰিত গড় ৰেটিং কিমান?

A. 4.2

B. 3.8 ✓

C. 3.5

D. 4.0

**Q44** Degree Based

নিম্নলিখিত পাইচিত্ৰখনত এটা প্ৰতিষ্ঠানৰ বিভিন্ন বিভাগত কৰ্মৰত 4800 গৰাকী কৰ্মচাৰীৰ ডিগ্ৰী-ভিত্তিক বিতৰণ দৰ্শাইছে য'ত পুৰুষ আৰু মহিলাৰ সংখ্যাৰ অনুপাত 3:5 হয়। HR বিভাগত কৰ্মৰত পুৰুষৰ সংখ্যা কিমান?




A. 194

B. 180 ✓

C. 198

D. 196

**Q45** Diagonal of Cube/Cuboid

এটা আয়তীয়-ঘনকৰ মাত্ৰাৰ অনুপাত 1 : 2 : 3; যদি আয়তীয়-ঘনকটোৰ আভ্যন্তৰীণ কৰ্ণৰ (space diagonal) দৈৰ্ঘ্য $\sqrt{56}$ cm হয়, তেন্তে আয়তীয়-ঘনকটোৰ আয়তন নিৰ্ণয় কৰক।

A. 45 $cm^3$

B. 48 $cm^3$ ✓

C. 46 $cm^3$

D. 84 $cm^3$

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q46** Leaving Midway

Aয়ে অকলে এটা কাম 10 দিনত সম্পূৰ্ণ কৰিব পাৰে আৰু Bয়ে অকলে ইয়াক 30 দিনত সম্পূৰ্ণ কৰিব পাৰে। তেওঁলোকে একেলগে 6 দিন কাম কৰে। তাৰ পিছত Aয়ে কাম এৰি থৈ গুচি যায় আৰু Bয়ে অকলে আৰু 4 দিন কাম কৰে। কামটোৰ কিমান অংশ এতিয়াও অসম্পূৰ্ণ হৈ আছে?

A. $\frac{1}{10}$

B. $\frac{1}{5}$

C. $\frac{2}{15}$

D. $\frac{1}{15}$ ✓

**Q47** Mean of Grouped Data

যদি নিম্নলিখিত তথ্যৰ মাধ্য 46 হয়, তেন্তে xৰ মান কি?

| শ্ৰেণী | 10-20 | 20-30 | 30-40 | 40-50 | 50-60 |
|---|---|---|---|---|---|
| বাৰংবাৰতা | 36 | 20 | 29 | 26 | x |

A. 206

B. 209 ✓

C. 210

D. 190

**Q48** Sphere & Hemisphere

যদি 16 cm ব্যাসৰ এটা ডাঙৰ গোলকৰপৰা 64 টা সদৃশ ক্ষুদ্ৰ গোলক তৈয়াৰ কৰা হয়, তেন্তে প্ৰতিটো ক্ষুদ্ৰ গোলকৰ পৃষ্ঠকালি কিমান হ'ব?

A. $14\pi cm^2$

B. $12\pi cm^2$

C. $16\pi cm^2$ ✓

D. $2\pi cm^2$

**Q49** Standard Angle Values

মান নিৰ্ণয় কৰক: $\sin^2 10° + \sin^2 80° + \tan^2 45° + \sec^2 60° + \sin^2 30°$

A. $\frac{25}{3}$

B. $\frac{20}{3}$

C. $\frac{15}{2}$

D. $\frac{25}{4}$ ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q50** sin^2 + cos^2 = 1

যদি sinA + cosA = m হয়, তেন্তে $\sin^4 A + \cos^4 A$ৰ মান কি?

A. $1-\frac{(1-m^2)}{2}$

B. $1+\frac{(1-m^2)}{2}$

C. $1+\frac{(1-m^2)^2}{2}$

D. $1-\frac{(1-m^2)^2}{2}$ ✓

## General Intelligence & Reasoning

30 Questions • Answer Key

**Q51** Day of Week Assignment

T, R, O, U, B, L আৰু Eৰ প্ৰত্যেকৰে পৰীক্ষা সোমবাৰৰ পৰা আৰম্ভ হৈ দেওবাৰে সমাপ্ত হোৱা সপ্তাহ এটাৰ একেটা সপ্তাহৰ বেলেগ বেলেগ দিনত অনুষ্ঠিত হয়। U আৰু Oৰ মাজত কেৱল তিনিগৰাকী ব্যক্তিৰ পৰীক্ষা আছে। সপ্তাহৰ শেষৰ দিনটোত Oৰ পৰীক্ষা আছে। B আৰু Rৰ মাজত কেৱল এগৰাকী ব্যক্তিৰ পৰীক্ষা আছে। Eৰ ঠিক এদিন আগত Tৰ পৰীক্ষা আছে। শুক্ৰবাৰে Lৰ পৰীক্ষা নাই। L আৰু Tৰ মাজত কিমানগৰাকী ব্যক্তিৰ পৰীক্ষা আছে?

A. এগৰাকী

B. চাৰিগৰাকী

C. তিনিগৰাকী ✓

D. দুগৰাকী

**Q52** Facing Center

H, I, J, K, L, আৰু M এখন ঘূৰণীয়া টেবুলৰ কেওফালে কেন্দ্ৰলৈ মুখ কৰি বহি আছে। Jৰ ঠিক সোঁফালে K বহিছে। Iৰ বাওঁফালৰ পৰা গণনা কৰিলে I আৰু M ৰ মাজত কেৱল দুগৰাকী ব্যক্তিহে বহিছে। Hৰ ঠিক বাওঁফালে L বহিছে। Iৰ ঠিক কাষত H বহি থকা নাই। Jৰ ঠিক বাওঁফালে কোন বহিছে?

A. M

B. I ✓

C. H

D. L

**Q53** Facing Center

ছগৰাকী বন্ধু C, D, E, O, P আৰু Q এখন বৃত্তাকাৰ টেবুলৰ কেউফালে কেন্দ্ৰলৈ মুখ কৰি বহি আছে।
Pৰ ঠিক বাওঁফালে D বহিছে। Qৰ ঠিক বাওঁফালে C বহিছে। Pৰ বাওঁফালে তৃতীয় স্থানত O বহিছে।
Eৰ সোঁফালে তৃতীয় স্থানত কোন বহিছে?

A. P

B. C ✓

C. Q

D. O

**Q54** Floor/Building Arrangement

সাতটা বাকচ G, H, I, J, O, K, আৰু L এটাৰ ওপৰত আন এটাকৈ ৰখা হয়, কিন্তু একে ক্ৰমত ৰখাটো বাধ্যতামূলক নহয়। কেৱল Oক L ৰ ওপৰত ৰখা হয়। L আৰু G ৰ মাজত কেৱল দুটা বাকচ ৰখা হয়। কেৱল Iক J ৰ তলত ৰখা হয়। Kক Gৰ ঠিক ওপৰত ৰখা নহয়। H আৰু I ৰ মাজত কিমানটা বাকচ ৰখা হয়?

A. চাৰিটা

B. এটা

C. দুটা ✓

D. তিনিটা

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q55** Floor/Building Arrangement

সাতটা বাকচ B, F, G, H, R, T আৰু Y এটাৰ ওপৰত আনটো ৰখা হৈছে, কিন্তু একেটা ক্ৰমত ৰখাটো বাধ্যতামূলক নহয়। Fক Yৰ ঠিক ওপৰত ৰখা হৈছে। Bক Gৰ ঠিক ওপৰত ৰখা হৈছে। Hৰ ওপৰত কেৱল Rক ৰখা হৈছে। Fৰ ওপৰত কেৱল দুটা বাকচ ৰখা হৈছে। Bক তলৰ পৰা তৃতীয় স্থানত ৰখা হোৱা নাই। Hৰ তলত কিমানটা বাকচ ৰখা হৈছে?

- A. 2
- B. 5 ✓
- C. 3
- D. 4

**Q56** Group Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি প্ৰদত্ত শৃংখলাটোৰ "?"ৰ স্থানত কি আহিব?

RQY OSX LUW IWV ?

- A. FYU ✓
- B. EXV
- C. EXU
- D. DYV

**Q57** Letters in a Given Word

CONNECT শব্দটোৰ প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত ইয়াৰ ঠিক পাছত অহা বৰ্ণলৈ সলনি কৰা হয় আৰু প্ৰতিটো ব্যঞ্জনবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত ইয়াৰ ঠিক আগৰ বৰ্ণলৈ সলনি কৰা হয়। এইদৰে গঠিত নতুন বৰ্ণগোটত নিম্নলিখিত কোনটো বৰ্ণ সোঁফালৰপৰা চতুৰ্থ হ'ব?

- A. N
- B. M ✓
- C. O
- D. L

**Q58** Mathematical Operations

এই প্ৰশ্নটো তলত দিয়া পাঁচটা, তিনি অংকযুক্ত সংখ্যাৰ ওপৰত আধাৰিত।

(বাওঁফাল) 614 823 579 302 486 (সোঁফাল)

(উদাহৰণ- 697 – প্ৰথম অংক = 6, দ্বিতীয় অংক = 9 আৰু তৃতীয় অংক = 7)

কিমানটা সংখ্যাৰ দ্বিতীয় অংকটো প্ৰথম অংকটোতকৈ ডাঙৰ?

- A. দুটা ✓
- B. শূন্য
- C. তিনিটা
- D. এটা

**Q59** Mathematical Operations

এই প্ৰশ্নটো প্ৰদত্ত পাঁচটা, তিনিটা-অংকৰ সংখ্যাৰ ওপৰত আধাৰিত।
(বাওঁফাল) 284 286 297 213 246 273 (সোঁফাল)
(উদাহৰণ- 697 – প্ৰথম অংক = 6, দ্বিতীয়টো অংক = 9 আৰু তৃতীয়টো অংক = 7)
টোকা - সকলো প্ৰক্ৰিয়া বাওঁফালৰ পৰা সোঁফাললৈ কৰিব।

যদি বৃহত্তম সংখ্যাটোৰ তৃতীয় অংকটোক ন্যূনতম সংখ্যাটোৰ তৃতীয় অংকটোৰ সৈতে যোগ কৰা হয়, তেন্তে ফলাফল কি হ'ব?

- A. 8
- B. 13
- C. 9
- D. 10 ✓

**Q60** Missing Number

প্ৰদত্ত শৃংখলাটোৰ প্ৰশ্ন চিহ্ন (?)ৰ স্থানত কি আহিব?

715 747 763 795 811 843 ?

- A. 859 ✓
- B. 861
- C. 853
- D. 866

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q61** Multiple Turns

কিষাণে A বিন্দুৰ পৰা আৰম্ভ কৰি 34 km উত্তৰ দিশলৈ গাড়ী চলায়। তাৰ পাছত তেওঁ সোঁফালে ঘূৰে আৰু 44 km গাড়ী চলায়, তেওঁ পুনৰ সোঁফালে ঘূৰে আৰু 46 km গাড়ী চলায়। তেওঁ আকৌ এবাৰ সোঁফালে ঘূৰে আৰু 51 km গাড়ী চলায়। তেওঁ অন্তিমবাৰৰ বাবে সোঁফালে ঘূৰে আৰু 12 km গাড়ী চলাই P বিন্দুত ৰৈ দিয়ে। পুনৰ A বিন্দুত উপনীত হ'বলৈ তেওঁ কিমান দূৰ (ন্যূনতম দূৰত্ব) আৰু কোন দিশলৈ গাড়ী চলাব লাগিব? (নিৰ্দিষ্ট নকৰালৈকে প্ৰতিবাৰ ঘূৰোঁতে কেৱল 90 ডিগ্ৰীত ঘূৰে।)

- A. 7 km পূব দিশলৈ ✔
- B. 6 km পশ্চিম দিশলৈ
- C. 9 km পূব দিশলৈ
- D. 4 km পূব দিশলৈ

**Q62** Number Series

প্ৰদত্ত সংখ্যা শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। সকলো সংখ্যা কেৱল একক অংকৰ সংখ্যা। গণনা কেৱল বাওঁফালৰ পৰা সোঁফাললৈ কৰিব লাগিব।

(বাওঁফাল) 3 6 6 7 8 4 3 1 2 3 2 1 4 4 6 7 4 4 3 5 6 5 3 4 3 8 4 (সোঁফাল)

এনে কিমানটা অযুগ্ম সংখ্যা আছে, যাৰ প্ৰতিটোৰে ঠিক আগত এটা অযুগ্ম সংখ্যা আছে আৰু ঠিক পিছতো এটা যুগ্ম সংখ্যা আছে?

- A. 4
- B. 5
- C. 3 ✔
- D. 2

**Q63** Operation Based

নিম্নলিখিত সংখ্যা-যুটিবোৰত প্ৰথম সংখ্যাটোত কিছুমান গাণিতিক প্ৰক্ৰিয়া কৰি দ্বিতীয় সংখ্যাটো পোৱা গৈছে। নিম্নলিখিত সংহতিবোৰৰ সংখ্যাবোৰ যিদৰে সম্পৰ্কিত হৈ আছে সেই একেদৰে সম্পৰ্কিত হৈ থকা সংখ্যাৰ সংহতিটো বাছনি কৰক।
(টোকা: সংখ্যাসমূহক ইহঁতৰ গঠনকাৰী অংকসমূহলৈ বিভক্ত নকৰাকৈ এই গাণিতিক প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ সংখ্যাৰ ওপৰত কৰা উচিত। যেনেকৈ 13ৰ ক্ষেত্ৰত - 13 ৰ ওপৰত কৰা যিকোনো গাণিতিক প্ৰক্ৰিয়া যেনে- যোগ/ বিয়োগ/ পূৰণ ইত্যাদি 13 ৰ ওপৰত কৰিব পাৰি। 13 ক 1 আৰু 3 লৈ ভাঙিলৈ 1 আৰু 3 ৰ ওপৰত গাণিতিক প্ৰক্ৰিয়াসমূহ কৰাটো অনুমোদিত নহয়।)
6 - 21
8 - 27

- A. 12 - 61
- B. 7 - 22
- C. 9 - 30 ✔
- D. 13 - 24

**Q64** Operation Based Coding

6342718 সংখ্যাটোৰ প্ৰতিটো অযুগ্ম অংকত যদি 1 যোগ কৰা হয় আৰু প্ৰতিটো যুগ্ম অংকৰ পৰা 2 বিয়োগ কৰা হয়, তেন্তে বাওঁফালৰ পৰা দ্বিতীয় আৰু সোঁফালৰ পৰা দ্বিতীয় অংকবোৰৰ যোগফল কিমান হ'ব?

- A. 4
- B. 7
- C. 5
- D. 6 ✔

**Q65** Operator Swap

যদি + মানে −, − মানে ×, × মানে ÷ আৰু ÷ মানে +,তেন্তে প্ৰদত্ত সমীকৰণটোৰ প্ৰশ্ন চিহ্ন (?)ৰ স্থানত কি আহিব?

13 − 16 ÷ 22 + 87 × 3 = ?

- A. 246
- B. 233
- C. 201 ✔
- D. 219

**Q66** Pattern Based

নিম্নলিখিত কোনটো বৰ্ণ-গুচ্ছই # আৰু %ক প্ৰতিস্থাপিত কৰিলে ::ৰ বাওঁফালে থকা বৰ্ণ-গুচ্ছ যুটিৰ মাজত অনুসৰণ কৰা আৰ্হি আৰু সম্পৰ্ক ::ৰ সোঁফালে থকাৰ সৈতে একে হয়?

# : BEB :: TWT : %

- A. # = FIE , % = ORO
- B. # = FKH , % = PSP
- C. # = FIF , % = PRQ
- D. # = FIF , % = PSP ✔

**Q67** Pattern Based

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি এক নিৰ্দিষ্ট ধৰণে LPZGৰ সৈতে GKUB সম্পৰ্কিত হৈ আছে। একে ধৰণে QNMRৰ সৈতে LIHM সম্পৰ্কিত হৈ আছে। একেটা যুক্তি অনুসৰণ কৰি নিম্নলিখিত কোনটোৰ সৈতে AJSU সম্পৰ্কিত হৈ আছে?

- A. FOXZ ✔
- B. FPYY
- C. EPXY
- D. EOYZ

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q68** Pattern Based

নিম্নলিখিত কোনটো বৰ্ণ-গুচ্ছই # আৰু %ক প্ৰতিস্থাপিত কৰিলে ::ৰ বাওঁফালে থকা বৰ্ণ-গুচ্ছ যুটিৰ মাজত অনুসৰণ কৰা আহিঁ আৰু সম্পৰ্ক ::ৰ সোঁফালে থকাৰ সৈতে একে হয়?

# : FEI :: POS : %

A. # = EDH , % = QOU

B. # = EFJ , % = QPT

C. # = EDH , % = QPT ✓

D. # = EDG , % = POS

**Q69** Position Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি নিম্নলিখিত চাৰিটাৰ ভিতৰত তিনিটা এক নিৰ্দিষ্ট ধৰণে একে আৰু এইদৰে এটা গোট গঠন কৰে। নিম্নলিখিত কোনটো সেই গোটৰ অন্তৰ্গত নহয়?
(টোকা: অমিলটো ব্যঞ্জনবৰ্ণ/স্বৰবৰ্ণৰ সংখ্যা বা বৰ্ণ-গুচ্ছত এইবোৰৰ স্থানৰ ভিত্তিত নহয়।)

A. JHE

B. HFC

C. PNK

D. LJK ✓

**Q70** Position Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি নিম্নলিখিত চাৰিটা বৰ্ণ-গুচ্ছ যুটিৰ ভিতৰত তিনিটা এক নিৰ্দিষ্ট ধৰণে একে আৰু এইদৰে এটা গোট গঠন কৰে। কোনটো বৰ্ণ-গুচ্ছ যুটি সেই গোটৰ অন্তৰ্গত নহয়?
(টোকা: অমিলটো ব্যঞ্জনবৰ্ণ/স্বৰবৰ্ণৰ সংখ্যা বা বৰ্ণ-গুচ্ছত এইবোৰৰ স্থানৰ ভিত্তিত নহয়।)

A. TX-UY

B. EI-EL ✓

C. SW-TX

D. VZ-WA

**Q71** Rearrangement of Letters

যদি DANGEROUS শব্দটোৰ সকলো বৰ্ণক ইংৰাজী বৰ্ণমালাৰ ক্ৰম অনুসৰি সজালে কিমানটা বৰ্ণৰ স্থান অপৰিৱৰ্তিত হৈ থাকিব?

A. শূন্য

B. তিনিটা

C. এটা ✓

D. দুটা

**Q72** Shortest Distance

অপৰ্ণাই এখন হোটেলৰপৰা খোজ কাঢ়িবলৈ আৰম্ভ কৰি 4 m পশ্চিম দিশলৈ আগ বাঢ়ে। তাৰ পাছত তেওঁ সোঁফালে ঘূৰি 6 m খোজ কাঢ়ে আৰু তাৰ পাছত বাওঁফালে ঘূৰি 10 m খোজ কাঢ়ে। তেওঁ অন্তিমবাৰৰ বাবে বাওঁফালে ঘূৰি 6 m খোজ কাঢ়ি নিজৰ ঘৰ পায়গৈ। তেওঁৰ ঘৰ আৰু হোটেলখনৰ মাজৰ ন্যূনতম দূৰত্ব কিমান?

A. 12 m

B. 18 m

C. 14 m ✓

D. 20 m

**Q73** Square/Cube Based

এক নিৰ্দিষ্ট যুক্তি অনুসৰণ কৰি 12 ৰ সৈতে 144 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি 15 ৰ সৈতে 225 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি নিম্নলিখিত কোনটোৰ সৈতে 169 সম্পৰ্কিত?
(টোকা: সংখ্যাসমূহক ইহঁতৰ গঠনকাৰী অংকসমূহলৈ বিভক্ত নকৰাকৈ এই গাণিতিক প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ সংখ্যাৰ ওপৰত কৰা উচিত। যেনেকৈ 13ৰ ক্ষেত্ৰত - 13 ৰ ওপৰত কৰা যিকোনো গাণিতিক প্ৰক্ৰিয়া যেনে- যোগ/ বিয়োগ/ পূৰণ ইত্যাদি 13 ৰ ওপৰত কৰিব পাৰি। 13 ক 1 আৰু 3 লৈ ভাঙিলৈ 1 আৰু 3 ৰ ওপৰত গাণিতিক প্ৰক্ৰিয়াসমূহ কৰাটো অনুমোদিত নহয়।)

A. 13 ✓

B. 12

C. 15

D. 14

**Q74** Symbol Based

এটা নিৰ্দিষ্ট ক'ড ভাষাত,
A # B মানে 'A হৈছে Bৰ পুত্ৰ',
A % B মানে 'A হৈছে Bৰ ভাতৃ',
A – B মানে 'A হৈছে Bৰ পত্নী', আৰু
A @ B মানে 'A হৈছে Bৰ পিতৃ'।

যদি 'S # M – H % Y @ U' হয়, তেন্তে S কিদৰে Uৰ সৈতে সম্পৰ্কিত?

A. পিতৃৰ ভাতৃৰ পুত্ৰ ✓

B. পিতৃৰ পিতৃ

C. ভাতৃৰ পুত্ৰ

D. পিতৃৰ ভাতৃ

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play
generated by rank.qmaths.in

**Q75** Symbol Based

এটা নিৰ্দিষ্ট ক'ড ভাষাত,
A + B মানে 'A হৈছে B ৰ পিতৃ',
A − B মানে 'A হৈছে B ৰ ভাতৃ',
A × B মানে 'A হৈছে B ৰ পুত্ৰ' আৰু
A ÷ B মানে 'A হৈছে Bৰ ভগ্নী'।

যদি 'S − T + U ÷ V × N' হয়, তেন্তে S সম্পৰ্কত Nৰ কোন হয়?

A. স্বামীৰ ভাতৃ ✓
B. ভগ্নীৰ স্বামী
C. মাতৃৰ ভাতৃ
D. কন্যাৰ স্বামী

**Q76** Symbol Included Pattern

প্ৰদত্ত বৰ্ণ, সংখ্যা আৰু চিহ্নৰ শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। গণনা কেৱল বাওঁফালৰপৰা সোঁফাললৈ কৰিব।

(বাওঁফাল) F 5 E @ D L N % 8 B * R Z 6 Q 3 # P N 4 Y 7 & K A (সোঁফাল)

এনে কিমানটা চিহ্ন আছে, যাৰ প্ৰতিটোৰ ঠিক আগত এটা সংখ্যা আৰু লগতে ঠিক পাছতো এটা বৰ্ণ আছে?

A. দুটা ✓
B. তিনিটা
C. এটা
D. চাৰিটা

**Q77** Symbol Included Pattern

প্ৰদত্ত সংখ্যা আৰু চিহ্নৰ শৃংখলাটো লক্ষ্য কৰক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। সকলো সংখ্যাই কেৱল এটা অংকৰ সংখ্যা।

(বাওঁফাল) 9 $ 2 # 8 & 3 @ 1 % 6 * 7 (সোঁফাল)

যদি সকলো সংখ্যা বাদ দিয়া হয়, তেন্তে বাওঁফালৰ পৰা চতুৰ্থ স্থানত নিম্নলিখিত কোনটো উপাদান থাকিব?

A. &
B. @ ✓
C. #
D. $

**Q78** Symbol Substitution

যদি 'A' মানে '+', 'B' মানে '−', 'C' মানে '×' আৰু 'D' মানে '÷' হয়, তেন্তে প্ৰদত্ত সমীকৰণটোৰ প্ৰশ্ন চিহ্ন (?)ৰ স্থানত কি আহিব?

72 D 8 B 4 C 5 A 15 = ?

A. 8
B. 12
C. 4 ✓
D. 10

**Q79** Two Statement Sufficiency

এই প্ৰশ্নটোত, এটা প্ৰশ্নৰ পাছত (I) আৰু (II) নম্বৰযুক্ত দুটা বিবৃতি দিয়া হৈছে। আপুনি সিদ্ধান্ত ল'ব লাগিব যে বিবৃতিসমূহত প্ৰদান কৰা তথ্য প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত হয় নে নহয়। দুয়োটা বিবৃতি পঢ়ক আৰু আটাইতকৈ উপযুক্ত উত্তৰটো বাছনি কৰক।

5টা খুঁটাৰ ভিতৰত D, R, C, Z আৰু Y প্ৰত্যেকৰে উচ্চতা বেলেগ বেলেগ, কোনটো খুঁটা আটাইতকৈ ওখ?
(I) D কেৱল দুটা খুঁটাতকৈ ওখ। R হৈছে ঠিক Yতকৈ ওখ
(II) Z হৈছে Yতকৈ ওখ

A. কেৱল বিবৃতি (I) পৰ্যাপ্ত, কিন্তু কেৱল বিবৃতি (II) পৰ্যাপ্ত নহয়
B. প্ৰশ্নটোৰ উত্তৰ দিবলৈ (I) আৰু (II) দুয়োটা বিবৃতি একেলগে পৰ্যাপ্ত
C. প্ৰশ্নটোৰ উত্তৰ দিবলৈ (I) আৰু (II) দুয়োটা বিবৃতি একেলগে পৰ্যাপ্ত নহয়, আৰু অকলশৰীয়াকৈও কোনো এটা বিবৃতি পৰ্যাপ্ত নহয় ✓
D. কেৱল বিবৃতি (II) পৰ্যাপ্ত, কিন্তু কেৱল বিবৃতি (I) পৰ্যাপ্ত নহয়

**Q80** Two Statement Syllogism

প্ৰদত্ত বিবৃতি আৰু সিদ্ধান্তসমূহ ভালদৰে পঢ়ক। সাধাৰণতে জনা তথ্যৰ পৰা পৃথক যেন লাগিলেও প্ৰদত্ত বিবৃতিসমূহত প্ৰদান কৰা তথ্যক শুদ্ধ বুলি মানি লৈ কোনটো(বোৰ) সিদ্ধান্তই প্ৰদত্ত বিবৃতিসমূহ যুক্তিসংগতভাৱে মানি চলে নিৰ্ণয় কৰক।

**বিবৃতি:**
কিছুমান গুলপীয়া হৈছে নীলা।
সকলো নীলা হৈছে আকাশ।

**সিদ্ধান্ত:**
(I) কিছুমান আকাশ হৈছে নীলা।
(II) কিছুমান আকাশ হৈছে গুলপীয়া।

A. সিদ্ধান্ত (I) আৰু (II) দুয়োটাই মানি চলে ✓
B. সিদ্ধান্ত (I) অথবা (II) কোনোটোৱেই মানি নচলে
C. কেৱল সিদ্ধান্ত (I)য়ে মানি চলে
D. কেৱল সিদ্ধান্ত (II)য়ে মানি চলে

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play
generated by rank.qmaths.in

**Q81** Constitutional Posts ENGLISH

Which of the following political personalities became Chief Minister for the first time in 2026, marking a significant political development associated with the rise of a newly formed regional party?

A. Rekha Gupta
B. Joseph Vijay ✓
C. Suvendu Adhikari
D. Samrat Choudhary

**Q82** Defense & Technology

কোনখনত মঞ্চত 2025 চনত DRDOৰ নেতৃত্বত পৰৱৰ্তী প্ৰজন্ম (নেক্সট জেনেৰেচন)ৰ ইলেক্ট্ৰনিক্স আৰু ছেমিকণ্ডাক্টৰ উদ্ভাৱন প্ৰদৰ্শন কৰা হৈছিল?

A. ইমাৰ্জিং ছায়েঞ্চ টেকন'লজি ইন'ভেচন কনক্লেভ 2025 (Emerging Science Technology Innovation Conclave 2025) ✓
B. নেচনেল ইলেক্ট্ৰনিক্স এণ্ড চেমিকণ্ডাক্টৰ মিট 2025 (National Electronics and Semiconductor Meet 2025)
C. ডিফেন্স টেকন'লজি এগ্‌জিবিচন 2025 (Defence Technology Exhibition 2025)
D. গ্ল'বেল ছায়েঞ্চ এণ্ড ইন'ভেচন ছামিট 2025 (Global Science and Innovation Summit 2025)

**Q83** Digital India Updates ENGLISH

Which organization conducted nationwide trial of India's Cell Broadcast Alert System in May 2026?

A. Defence Research and Development Organisation
B. National Disaster Management Authority ✓
C. Indian Space Research Organisation
D. Centre for Development of Advanced Computing

**Q84** Economic Current Affairs

2026 চনত ভাৰতীয় ৰিজাৰ্ভ বেংকে মুকলি কৰা পেইমেন্ট ছিষ্টেম ৰিপ'ৰ্ট (পৰিশোধ ব্যৱস্থাৰ প্ৰতিবেদন) অনুসৰি, ভাৰতৰ লেনদেনৰ ভলিউমৰ সৰ্বাধিক অংশ কোনটো ব্যৱস্থাত আছিল?

A. ইমিডিয়েট পেইমেন্ট ছাৰ্ভিচ (IMPS)
B. নেচনেল ইলেক্ট্ৰনিক ফাণ্ডছ ট্ৰেন্সফাৰ (NEFT)
C. ৰীয়েল-টাইম গ্ৰছ ছেটলমেণ্ট (RTGS)
D. ইউনিফাইড পেইমেণ্টছ ইণ্টাৰফেইচ (UPI) ✓

**Q85** Environment Current Affairs

2025-26 সময়ছোৱাত ভাৰতৰ ই-আৱৰ্জনা ব্যৱস্থাপনা পৰিকাঠামোত কোনটো নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল?

A. চৰকাৰী শিক্ষানুষ্ঠান আৰু কাৰ্যালয়ৰ পৰা ডিজিটেল যোগাযোগ সঁজুলি আঁতৰোৱা
B. দেশজুৰি নগৰীয়া উদ্যোগিক এলেকাৰ ভিতৰত ঘৰুৱা ইলেক্ট্ৰনিকছ উৎপাদন সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা
C. সকলো বিসৰ্জিত ইলেক্ট্ৰনিক সামগ্ৰী বিদেশৰ বিপজ্জনক আৱৰ্জনা প্ৰক্ৰিয়াকৰণ সুবিধালৈ ৰপ্তানি কৰাটো বাধ্যতামূলক
D. ইলেক্ট্ৰনিক আৱৰ্জনাৰ পুনৰাৱৰ্তন আৰু পৰিৱেশ অনুকূল সংগ্ৰহ (environmentally sound collection)ৰ ক্ষেত্ৰত বৰ্ধিত উৎপাদক দায়বদ্ধতা ✓

**Q86** Famous Works & Authors

'অন আৰ্থ এজ ইট ইজ বেনিথ (On Earth as It Is Beneath)' গ্ৰন্থখনৰ ৰচয়িতা কোন?

A. ওলগা তোকাৰ্ছুক (Olga Tokarczuk)
B. আনা পাউলা মাইয়া (Ana Paula Maia) ✓
C. ফাৰ্নাণ্ডা ট্ৰিয়াছ (Fernanda Trías)
D. ভেলেৰিয়া লুইছেলি (Valeria Luiselli)

**Q87** HDI, GHI, etc.

2026 চনৰ ফেব্ৰুৱাৰীত মুকলি কৰা "দুৰ্নীতি ধাৰণা সূচক (CPI) 2025"ত ভাৰতৰ স্থান কি?

A. 75
B. 101
C. 91 ✓
D. 80

**Q88** Individual Records

2026 চনৰ ফেব্ৰুৱাৰী মাহত, নিম্নলিখিত কোনগৰাকী খেলুৱৈয়ে মহিলা ক্ৰিকেটত সৰ্বাধিক সংখ্যক আন্তঃৰাষ্ট্ৰীয় মেচ খেলিছিল?

A. স্মৃতি মান্ধানা
B. ঝুলন গোস্বামী
C. মিতালী ৰাজ
D. হৰমনপ্ৰীত কৌৰ ✓

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q89** Individual Records

2026 চনৰ মে' মাহত ঝাৰখণ্ডৰ ৰাঁচীত অনুষ্ঠিত হোৱা ফেডাৰেচন কাপৰ পুৰুষৰ 100-m ফাইনেলত আটাইতকৈ দ্ৰুতবেগী ভাৰতীয় স্প্ৰিণ্টাৰ (sprinter) হৈ কোনে ইতিহাস সৃষ্টি কৰিছিল?

A. অনিমেষ কুজুৰ
B. গুৰিন্দৰবীৰ সিং ✓
C. মণিকান্ত হোবলিধৰ
D. অম্লান বৰগোহাঁই

**Q90** Key Announcements

কেন্দ্ৰীয় বাজেট 2026–27ৰ অধীনত ভাৰত চৰকাৰে ভাৰতক বৈশ্বিক বায়'ফাৰ্মা নিৰ্মাণ হাব হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে কোনখন আঁচনি আৰম্ভ কৰাৰ প্ৰস্তাৱ দিছিল?

A. ফাৰ্মা ভিজন 2047 (Pharma Vision 2047)
B. বায়'ফাৰ্মা SHAKTI (Biopharma SHAKTI) ✓
C. ৰাষ্ট্ৰীয় জৈৱবিজ্ঞান ত্বৰণ কাৰ্যসূচী (National Bioscience Acceleration Programme)
D. বায়'নেক্স ইণ্ডিয়া মিছন (BioNex India Mission)

**Q91** Missile Tests & Systems

ভাৰতে নিম্নলিখিত কোনটো স্থানৰ পৰা 2026 চনৰ 8 মে'ত মাল্টিপল ইণ্ডিপেণ্ডেন্টলি টাৰ্গেটেড ৰি-এন্ট্ৰি ভেহিকল (MIRV) ছিষ্টেমৰে সজ্জিত "এডভান্সড অগ্নি মিছাইল"ৰ উৰণ পৰীক্ষণ সফলভাৱে সম্পন্ন কৰিছিল?

A. পোখৰাণ টেষ্ট ৰেঞ্জ, ৰাজস্থান
B. শ্ৰীহৰিকোটা মহাকাশ কেন্দ্ৰ, অন্ধ্ৰপ্ৰদেশ
C. বালাছোৰ মিছাইল টেষ্টিং ফেচিলিটি, পশ্চিমবংগ
D. ড° এ পি জে আব্দুল কালাম দ্বীপ, ওড়িশা ✓

**Q92** National Current Affairs

কৃষিজাত আৰু সংসাধিত খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন প্ৰাধিকৰণে 2026 চনৰ এপ্ৰিল মাহত কৰা ঘোষণা অনুসৰি, বাচমতী ধানৰ খেতি আৰু জৈৱিক কৃষিৰ প্ৰসাৰৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰটো ক'ত স্থাপন কৰা হ'ব?

A. মধ্য প্ৰদেশ
B. উত্তৰ প্ৰদেশ ✓
C. অন্ধ্ৰ প্ৰদেশ
D. হিমাচল প্ৰদেশ

**Q93** National Current Affairs

জৱাহৰলাল নেহৰু বন্দৰ প্ৰাধিকৰণ (JNPA)ৰ প্ৰতিষ্ঠা দিৱস উদযাপনৰ কোনটো সংস্কৰণৰ সময়ত ভাৰত চৰকাৰে 2026 চনৰ মে' মাহত লজিষ্টিকছ প'ৰ্ট পাৰফৰ্মেন্স ইনডেক্স (LPPI) আৰম্ভ কৰিছিল?

A. 67 সংখ্যক
B. 37 সংখ্যক ✓
C. 57 সংখ্যক
D. 47 সংখ্যক

**Q94** National Current Affairs

**সৰ্বভাৰতীয় আয়ুৰ্বেদিক কংগ্ৰেছৰ** সহযোগত কোনটো মন্ত্ৰালয়ে মহাৰাষ্ট্ৰৰ বুলধানা জিলাৰ শ্বেগাঁৱত চাৰিদিনীয়া **ৰাষ্ট্ৰীয় আৰোগ্য মেলা 2026**ৰ আয়োজন কৰিছিল?

A. গ্ৰামোন্নয়ন মন্ত্ৰালয়
B. আয়ুষ (AYUSH) মন্ত্ৰালয় ✓
C. শিক্ষা মন্ত্ৰালয়
D. জনজাতি পৰিক্ৰমা মন্ত্ৰালয়

**Q95** National Current Affairs

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে কোনটো নিৰ্দিষ্ট কাৰ্য্যকৰী দৃষ্টিভংগীৰ অধীনত 2026 চনৰ 14 মে'ত সংখ্যালঘু কল্যাণৰ ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছিল?

A. সবকা চাথ, সবকা বিকাশ (Sabka Saath, Sabka Vikas)
B. ভাগীদাৰী সে ভাগ্যোদয় (Bhagidaari Se Bhaagyoday) ✓
C. বিকাশিত ঔৰ সুৰক্ষিত ভাৰত (Vikasit Aur Surakshit Bharat)
D. সমাবেশী ঔৰ সক্ষম সমাজ (Samaveshi Aur Saksham Samaj)

**Q96** New Parks & Reserves

নিম্নলিখিত কোনখন অভয়াৰণ্যক 2026 চনত সংৰক্ষিত ৰামছাৰ স্থান হিচাপে ঘোষণা কৰা হৈছে?

A. বাৰেলা পক্ষী অভয়াৰণ্য
B. কৰিংগা বন্যপ্ৰাণী অভয়াৰণ্য
C. পাটনা পক্ষী অভয়াৰণ্য ✓
D. বিক্ৰমশিলা গাঙ্গেয় ডলফিন অভয়াৰণ্য

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q97** New Schemes & Programs

2026 চনত ভাৰত চৰকাৰে আৰম্ভ কৰা বায়'-AI (Bio-AI) পদক্ষেপৰ মূল উদ্দেশ্য নিম্নলিখিত কোন ক্ষেত্ৰত প্ৰগতি ত্বৰান্বিত কৰা?

A. ডেটা-চালিত গৱেষণা সঁজুলি ব্যৱহাৰ কৰি উন্নত জৈৱিক সামগ্ৰী আৰু উৎপাদন প্ৰক্ৰিয়াৰ বিকাশ ✓

B. এলগৰিডমিক সম্পদ অনুকূলনৰ জৰিয়তে জীৱাশ্ম-ইন্ধন-ভিত্তিক ঔদ্যোগিক প্ৰযুক্তিৰ প্ৰসাৰ

C. স্বয়ংক্ৰিয় ভূতাত্ত্বিক জৰীপৰ জৰিয়তে পৰম্পৰাগত খনিজ অন্বেষণ কাৰ্যকলাপৰ সম্প্ৰসাৰণ

D. সম্পূৰ্ণ স্বায়ত্তশাসিত ঔদ্যোগিক উৎপাদন প্ৰণালীৰে ফাৰ্মাচিউটিকেল গৱেষণাৰ প্ৰতিস্থাপন

**Q98** Rankings & Reports

2026 চনৰ জানুৱাৰী মাহত নিম্নলিখিত কোনটো সংস্থাই দ্য গ্ল'বেল ৰিস্কছ ৰিপৰ্ট 2026 (The Global Risks Report 2026) প্ৰকাশ কৰিছিল?

A. বিশ্ব স্বাস্থ্য সংস্থা

B. বাণিজ্য আৰু উন্নয়ন সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ সন্মিলন

C. বিশ্ব অৰ্থনৈতিক মঞ্চ ✓

D. আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি

**Q99** Team Achievements

এছিয়ান বক্সিং U-15 চেম্পিয়নশ্বিপ, 2026ত ভাৰতীয় U-15 ছোৱালী দলটোৱে কিমানটা স্বৰ্ণ পদক লাভ কৰিছিল?

A. 12

B. 5

C. 7 ✓

D. 4

**Q100** Team Achievements

2026 চনৰ বেয়াৰব' এছিয়া চেম্পিয়নশ্বিপত (2026 Barebow Asia Championship) কোনখন দেশৰ পুৰুষ বেয়াৰব' দলে 1864 পইণ্ট স্ক'ৰ কৰি ধনুৰ্বিদ্যাৰ এক নতুন বিশ্ব অভিলেখ গঢ়িছে?

A. জাপান

B. মালয়েছিয়া ✓

C. দক্ষিণ কোৰিয়া

D. আমেৰিকা যুক্তৰাষ্ট্ৰ

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

## General Science

25 Questions • Answer Key

**Q1** Atomic Structure & Models

ইলেকট্ৰনে যি পথেৰে নিউক্লিয়াছৰ কেউফালে প্ৰদক্ষিণ কৰে, তাক ______________ বোলা হয়।

A. প্ৰ'টন

B. নিউট্ৰন

C. অণু

D. কক্ষপথ ✓

**Q2** Atoms & Molecules

যৌগৰ অণুবোৰ ___________ গঠিত হয়।

A. এটা নিৰ্দিষ্ট অনুপাতত ভিন্ন মৌলৰদ্বাৰা ✓

B. পৰমাণুৰ ভৌতিক মিশ্ৰণৰ দ্বাৰা

C. কেৱল একে ধৰণৰ পৰমাণুৰ দ্বাৰা

D. যাদৃচ্ছিক পাৰমাণৱিক সংযোজনৰ দ্বাৰা

**Q3** Basic Organic Chemistry

ইথানল এবিধ তৰল পদাৰ্থ হোৱা আৰু এটা ধ্ৰুৱীয় O–H বান্ধনি থকা সত্ত্বেও ই বিদ্যুতৰ কুপৰিবহণ কৰা (conducts electricity poorly)টোক নিম্নলিখিত কোনটোৱে আটাইতকৈ সঠিকভাৱে ব্যাখ্যা কৰে?

A. ই এবিধ সমযোজী যৌগ আৰু দ্ৰৱত ইয়াৰ আয়নীয়কৰণ নহয় ✓

B. ই পানীত $CO_2$ আৰু $H_2O$লৈ বিযোজিত (decomposes) হয়

C. ই পানীত সম্পূৰ্ণৰূপে আয়নলৈ বিযোজন (dissociates) হয়

D. ই এবিধ দুৰ্বল ক্ষাৰক যিয়ে প্ৰট'ন গ্ৰহণ কৰে

**Q4** Basic Organic Chemistry

যেতিয়া ইথানলে ছ'ডিয়াম ধাতুৰ সৈতে বিক্ৰিয়া কৰে, তেতিয়া বিক্ৰিয়াটোৰ ফলত কোনবিধ গেছ নিৰ্গত হয়?

A. নাইট্ৰ'জেন গেছ

B. কাৰ্বন ডাই অক্সাইড

C. হাইড্ৰ'জেন গেছ ✓

D. অক্সিজেন গেছ

**Q5** Circulatory System (Heart, Blood)

এগৰাকী গৱেষকে এটা তিনিটা কোঠালীযুক্ত হৃদযন্ত্ৰ থকা প্ৰাণী পৰ্যবেক্ষণ কৰিছে য'ত অক্সিজেনযুক্ত আৰু অক্সিজেনবিহীন তেজৰ কিছু মিশ্ৰণ ঘটে। প্ৰসংগটো অনুসৰি, এই প্ৰাণীটোৱে সম্ভৱতঃ কেনেধৰণৰ শক্তিৰ অভিযোজন (Energy adaptation) প্ৰদৰ্শন কৰিব?

A. ইয়াৰ অক্সিজেন যোগান অতি কাৰ্যক্ষম

B. ইয়াৰ কোনো মিশ্ৰণ নোহোৱাকৈ দ্বি-পৰিসংচাৰণ ঘটে

C. ই নিৰন্তৰ শক্তি ব্যৱহাৰ কৰি দেহৰ উষ্ণতা বৰ্তাই ৰাখে

D. ই নিৰন্তৰ শক্তি ব্যৱহাৰ কৰি নিজৰ দেহৰ উষ্ণতা বৰ্তাই নাৰাখে ✓

**Q6** Current Electricity (Ohm's Law, Circuits)

এটা বৈদ্যুতিক বৰ্তনীত, আধানৰ প্ৰবাহৰ বাবে প্ৰয়োজনীয় বিভৱভেদ কিহে উৎপন্ন কৰে?

A. কেৱল দুটা বিন্দুৰ মাজত সংযোগ কৰা তাঁৰসমূহ

B. ইলেক্ট্ৰনৰ ওপৰত হোৱা মহাকৰ্ষণীয় আকৰ্ষণ

C. প্ৰবাহৰ প্ৰতি তাঁৰডালৰ থকা ৰোধ

D. এটা বা ততোধিক বৈদ্যুতিক কোষৰদ্বাৰা গঠিত এটা বেটাৰী ✓

**Q7** Digestive System

খোৱাৰ সময়ত কোনটো অংগই খাদ্যবস্তুক সৰু সৰু টুকুৰালৈ ভঙাত সহায় কৰে?

A. লালটি গ্ৰন্থি (Salivary glands)

B. দাঁত (Teeth) ✓

C. জিভা (Tongue)

D. পাকস্থলী (Stomach)

**Q8** Digestive System

এমিবাৰ কোনটো অংগ বা গাঁথনি খাদ্যকণাবোৰক গ্ৰাস কৰাৰ বাবে প্ৰধানকৈ দায়বদ্ধ?

A. অস্থায়ী কূটপদ ✓

B. কোষ পৃষ্ঠ আৱৰি থকা চিলিয়া

C. জীৱটো আৱৰি থকা কোষ বেৰ

D. কোষাৱৰণৰ ভিতৰৰ চাইট'প্লাজম

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q9** Ecosystem & Food Chain

তৃণভূমি পৰিস্থিতিতন্ত্ৰ এটাত, কোনবোৰ জীৱৰ আবাদী সৰ্বাধিক হ'ব?

A. শেনচৰাই

B. ভেকুলী

C. সাপ

D. ঘাঁহ ✓

**Q10** Extraction & Metallurgy

দাবী (A) আৰু কাৰণ (R) হিচাপে চিহ্নিত নিম্নলিখিত বিবৃতি দুটাৰ সন্দৰ্ভত শুদ্ধ বিকল্পটো বাছনি কৰক।

দাবী (A): ছডিয়াম আৰু পটাছিয়ামৰ দৰে ধাতুবোৰ বিদ্যুৎবিশ্লেষণ প্ৰক্ৰিয়াৰ দ্বাৰা নিষ্কাশন কৰা হয়।
কাৰণ (R): এই ধাতুবোৰ অতিশয় সক্ৰিয় আৰু কাৰ্বনৰ সৈতে বিজাৰণ ঘটাই ইয়াক লাভ কৰিব নোৱাৰি।

A. A অশুদ্ধ, কিন্তু R শুদ্ধ।

B. A আৰু R দুয়োটাই শুদ্ধ, আৰু R হৈছে Aৰ সঠিক ব্যাখ্যা। ✓

C. A আৰু R দুয়োটাই শুদ্ধ, কিন্তু Aৰ সঠিক ব্যাখ্যা R নহয়।

D. A শুদ্ধ, কিন্তু R অশুদ্ধ।

**Q11** Global Warming & Climate Change

মানুহৰ কোনটো কাৰ্যই কাৰ্বন চক্ৰৰ (carbon cycle) ব্যাঘাত বা বিশৃংখলতা হ্ৰাস কৰাত সহায় কৰে?

A. জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ বৃদ্ধি কৰা

B. সাৰৰ অতিমাত্ৰা ব্যৱহাৰ

C. নিৰ্বনানীকৰণ

D. সৌৰশক্তিৰ ব্যৱহাৰ ✓

**Q12** Magnetic Effects of Current

**Q70** Shifting Pattern (+1, +2, etc.)

ABILITY শব্দটোৰ প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণমালাৰ ক্ৰম অনুসৰি ইয়াৰ ঠিক পাছৰটো বৰ্ণলৈ সলনি কৰা হয় আৰু প্ৰতিটো ব্যঞ্জনবৰ্ণক ইংৰাজী বৰ্ণমালাৰ ক্ৰম অনুসৰি ইয়াৰ ঠিক আগৰটো বৰ্ণলৈ সলনি হয়। নিম্নলিখিত কোনটো বৰ্ণ এইদৰে গঠিত নতুন বৰ্ণগোটত বাওঁফালৰ পৰা দ্বিতীয় স্থানত থাকিব?

- A. S
- B. B
- C. K
- **D. A** ✓

**Q71** Shifting Pattern (+1, +2, etc.)

এই প্ৰশ্নটো প্ৰদত্ত শব্দবোৰৰ ওপৰত আধাৰিত।

SON WIL TEN JUN

যদি প্ৰতিটো শব্দৰে প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত তাৰ ঠিক পৰৱৰ্তী বৰ্ণলৈ সলনি কৰা হয়, আৰু প্ৰতিটো ব্যঞ্জনবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত তাৰ ঠিক পূৰ্বৰ বৰ্ণলৈ সলনি কৰা হয়, তেন্তে এনেদৰে গঠিত কিমানটা বৰ্ণ-গুচ্ছত কোনো স্বৰবৰ্ণ নাথাকিব?

- A. এটা
- **B. তিনিটা** ✓
- C. চাৰিটা
- D. দুটা

**Q72** Shifting Pattern (+1, +2, etc.)

VOYAGE শব্দটোৰ প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত ইয়াৰ ঠিক পাছত অহা বৰ্ণটোলৈ সলনি কৰা হয় আৰু প্ৰতিটো ব্যঞ্জনবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত ইয়াৰ ঠিক আগত অহা বৰ্ণটোলৈ সলনি কৰা হয়। এনেদৰে গঠিত নতুন বৰ্ণৰ গোটত নিম্নলিখিত কোনটো বৰ্ণ ঠিক দুবাৰ দেখা যাব?

- **A. F** ✓
- B. B
- C. X
- D. P

**Q73** Single Row (One-way/Both-way)

ছগৰাকী ব্যক্তি L, M, N, O, P আৰু Q উত্তৰ দিশলৈ মুখ কৰি এটা পোন শাৰীত বহি আছে।
L আৰু Qৰ মাজত কেৱল এগৰাকী ব্যক্তি বহিছে। N সোঁ প্ৰান্তত বহিছে। Nৰ বাওঁফালে তৃতীয় স্থানত P বহিছে। Oৰ ঠিক সোঁফালে L বহিছে।
Pৰ ঠিক সোঁফালে কোন বহিছে?

- A. L
- B. O
- C. M
- **D. Q** ✓

**Q74** Symbol Based

এটা নিৰ্দিষ্ট ক'ড ভাষাত,
A + B মানে 'A হৈছে Bৰ ভগ্নী',
A – B মানে 'A হৈছে Bৰ কন্যা',
A × B মানে 'A হৈছে Bৰ স্বামী', আৰু
A ÷ B মানে 'A হৈছে Bৰ মাতৃ'।

যদি 'P + Q – R × S – T' হয়, তেন্তে P সম্পৰ্কত Tৰ কোন হয়?

- **A. কন্যাৰ কন্যা** ✓
- B. পুত্ৰ
- C. কন্যা
- D. পুত্ৰৰ কন্যা

Blackbook Vocabulary — Now in the App! ▸ Download Now on Google Play

**Q75** Symbol Included Pattern

প্ৰদত্ত বৰ্ণ আৰু চিহ্ন শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। গণনা কেৱল বাওঁফালৰপৰা সোঁফাললৈ কৰিব।

(বাওঁফাল) L = W L & > P < T ? H € M ÷ J # V @ & A ¥ M ? Q % P ∞ (সোঁফাল)

এনে কিমানটা চিহ্ন আছে, যাৰ প্ৰতিটোৰ ঠিক আগত এটা বৰ্ণ আৰু লগতে ঠিক পাছতো আন এটা চিহ্ন আছে?

A. তিনিটা

B. দুটা ✓

C. এটা

D. এটাও নাই

**Q76** Symbol Included Pattern

প্ৰদত্ত সংখ্যা আৰু চিহ্নৰ শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। গণনা কেৱল বাওঁফালৰ পৰা সোঁফাললৈ কৰিব।

(বাওঁফাল) 3 7 > / 5 + & 5 & 8 9 ^ 7 4 2 2 \ 3 @ 4 $ (সোঁফাল)

এনে কিমানটা চিহ্ন আছে, যাৰ প্ৰতিটোৰ ঠিক আগত আন এটা চিহ্ন আছে আৰু ঠিক পাছতো এটা সংখ্যা আছে?

A. এটা

B. দুটা ✓

C. তিনিটা

D. শূন্য

**Q77** Symbol Substitution

নিম্নলিখিত সমীকৰণটোত যদি 'P' মানে '×', 'Q'মানে '÷', 'R' মানে '-' আৰু 'S' মানে '+' হয়, তেন্তে প্ৰশ্নবোধক চিহ্ন '?'ৰ স্থানত কি বহিব?

(12 Q 3) P 7 R 5 P 4 S 12 = ?

A. 20 ✓

B. 28

C. 12

D. 34

**Q78** Two Statement Sufficiency

এই প্ৰশ্নটোত, এটা প্ৰশ্নৰ পাছত (I) আৰু (II) নম্বৰযুক্ত দুটা বিবৃতি দিয়া হৈছে। আপুনি সিদ্ধান্ত ল'ব লাগিব যে বিবৃতিসমূহত প্ৰদান কৰা তথ্য প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত হয় নে নহয়। দুয়োটা বিবৃতি পঢ়ক আৰু আটাইতকৈ উপযুক্ত উত্তৰটো বাছনি কৰক।

Q. 5 ডাল ভিন্ন উচ্চতাৰ লাঠি B, U, N, M আৰু D ৰ ভিতৰত, কোনডাল লাঠি আটাইতকৈ চুটি?

(I) M কেৱল এডাল লাঠিতকৈ দীঘল। B হৈছে Uতকৈ দীঘল।

(II) M হৈছে Dতকৈ দীঘল।

A. প্ৰশ্নটোৰ উত্তৰ দিবলৈ কেৱল বিবৃতি Iৰ তথ্যই পৰ্যাপ্ত, আনহাতে বিবৃতি IIৰ তথ্য নহয়

B. প্ৰশ্নটোৰ উত্তৰ দিবলৈ কেৱল বিবৃতি IIৰ তথ্যই পৰ্যাপ্ত, আনহাতে বিবৃতি Iৰ তথ্য নহয়

C. প্ৰশ্নটোৰ উত্তৰ দিবলৈ I আৰু II দুয়োটা বিবৃতি একেলগে (আৰু কেৱল বিবৃতি I বা বিবৃতি II নহয়) পৰ্যাপ্ত ✓

D. প্ৰশ্নটোৰ উত্তৰ দিবলৈ I আৰু II দুয়োটা বিবৃতি একেলগেও পৰ্যাপ্ত নহয়

**Q79** Word to Code Mapping

এটা নিৰ্দিষ্ট ক'ড ভাষাত, 'curtain for door'ক 'ar yb qj' হিচাপে আৰু 'door is open'ক 'yb gt ol' হিচাপে ক'ড কৰা হয়। প্ৰদত্ত ভাষাত 'door'ক কেনেকৈ ক'ড কৰা হয়? (সকলো ক'ড কেৱল দুটা বৰ্ণৰ ক'ড)

A. ol

B. yb ✓

C. qj

D. gt

**Q80** Word to Code Mapping

এটা নিৰ্দিষ্ট ক'ড ভাষাত, 'shut the business'ক 'qt gv bx' হিচাপে আৰু 'business is down'ক 'mj yp gv' হিচাপে ক'ড কৰা হয়। প্ৰদত্ত ভাষাটোত 'business'ক কেনেকৈ ক'ড কৰা হয়? (সকলো ক'ড কেৱল দুটা-বৰ্ণৰ ক'ড।)

A. gv ✓

B. yp

C. bx

D. qt

Blackbook Vocabulary — Now in the App! ▸ Download Now on Google Play

generated by rank.qmaths.in

**Q81** Civilian Awards

2026 চনৰ জানুৱাৰী মাহত, কেৰালাৰ কোনগৰাকী বিশিষ্ট ব্যক্তিক জন সেৱা, বিশেষকৈ ন্যায়িক শুদ্ধতা/সততা আৰু সাংবিধানিক শাসনৰ ক্ষেত্ৰত তেখেতৰ গুৰুত্বপূৰ্ণ অৱদানৰ বাবে, পদ্ম বিভূষণেৰে সন্মানিত কৰা হৈছিল?

- A. কুৰিয়ান জোচেফ (Kurian Joseph)
- B. পি সতাশিৱম (P. Sathasivam)
- C. কে টি টমাছ (K. T. Thomas) ✓
- D. জস্তি চেলামেশ্বৰ (Jasti Chelameswar)

**Q82** Constitutional Posts

2026 চনৰ মে' মাহত ভাৰতৰ পশ্চিম বংগৰ মুখ্যমন্ত্ৰী হিচাপে নিম্নলিখিত কোনগৰাকী নেতাই শপত গ্ৰহণ কৰিছিল?

- A. মমতা বেনাৰ্জী (Mamata Banerjee)
- B. দিলীপ ঘোষ (Dilip Ghosh)
- C. শুভেন্দু অধিকাৰী (Suvendu Adhikari) ✓
- D. সুকান্ত মজুমদাৰ (Sukanta Majumdar)

**Q83** Defense & Technology

2026 চনৰ 30 এপ্ৰিলত মাজাগাঁও ডক শ্বিপবিল্ডৰ্ছ লিমিটেডে ভাৰতীয় নৌবাহিনীক প্ৰদান কৰা ষষ্ঠ নীলগিৰি ক্লাচ ষ্টীল্থ ফ্ৰিগেটৰ নাম কি?

- A. মহেন্দ্ৰগিৰি (Mahendragiri) ✓
- B. বিন্ধ্যাগিৰি (Vindhyagiri)
- C. তাৰাগিৰি (Taragiri)
- D. নীলগিৰি (Nilgiri)

**Q84** Environment Current Affairs

শক্তি মন্ত্ৰালয় আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত কোনে প্ৰকৃতি 2026 (Prakriti 2026) সন্মিলন আয়োজন কৰিছিল?

- A. কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ
- B. শক্তি দক্ষতা ব্যুৰো ✓
- C. ভাৰতীয় বতৰ বিজ্ঞান বিভাগ
- D. নীতি আয়োগ

**Q85** Global Space Missions

2026 চনত, কোনটো মহাকাশ সংস্থাই ভৱিষ্যতৰ অভিযানসমূহৰ বাবে প্ৰণালী আৰু কৰ্মপ্ৰবাহ পৰীক্ষা কৰাৰ উদ্দেশ্যে চাৰিগৰাকী মহাকাশচাৰীক চন্দ্ৰৰ সুদূৰ ফাল বা ফাৰ ছাইড অৱ দি মুন (far side of the Moon)লৈ গৈছিল?

- A. ESA (ইউৰোপ)
- B. CNSA (চীন)
- C. NASA (USA) ✓
- D. ISRO (ভাৰত)

**Q86** Government Policies & Schemes

2026 চনৰ এপ্ৰিল মাহত, সামাজিক ন্যায় মন্ত্ৰালয়ে 75 লাখৰো অধিক হিতাধিকাৰীক প্ৰায় 8,000 কোটি টকা বিতৰণ কৰাৰ কথা প্ৰকাশ কৰিছিল। এই নিৰ্দিষ্ট বাজেট আবণ্টন কোনটো সম্প্ৰদায়ক লক্ষ্য কৰি কৰা হৈছিল?

- A. ছটা অধিসূচিত সংখ্যালঘু সম্প্ৰদায় (খ্ৰীষ্টান, মুছলমান ইত্যাদি)
- B. অনুসূচিত জাতি (SC)ৰ হিতাধিকাৰী ✓
- C. বিশেষভাৱে পাৰ্চী সম্প্ৰদায়
- D. বিশেষভাৱে দুৰ্বল জনজাতীয় গোট (PVTGs)

**Q87** Individual Records

2026 চনৰ মে' মাহত অনুষ্ঠিত LA ট্ৰেক ফেষ্ট (LA Track Fest)ত হাবটম চেমুৱেলে (Habtom Samuel) কলেজীয়া এথলেটিক্সত এক ঐতিহাসিক সফলতা অৰ্জন কৰিছিল। তেওঁ কোনটো ৰেকৰ্ড ভংগ কৰিছিল?

- A. NCAA লং জাম্প ৰেকৰ্ড
- B. NCAA 5000m ৰেকৰ্ড ✓
- C. NCAA 1500m ৰেকৰ্ড
- D. NCAA 110m হাৰ্ডলছ ৰেকৰ্ড

**Q88** International Sports Awards

2026 চনত, কোনগৰাকী টেনিছ তাৰকাক ফ্ৰেন্স অ'পেন (French Open) আৰু US অ'পেন (US Open) খিতাপ জয় কৰাকো সামৰি তেওঁৰ প্ৰদৰ্শনৰ বাবে লৰিয়াছ ৱৰ্ল্ড স্প'ৰ্টছমেন অৱ দা ইয়েৰ (Laureus World Sportsman of the Year) হিচাপে বিভূষিত কৰা হৈছে?

- A. কাৰ্লোছ আলকাৰাজ (Carlos Alcaraz) ✓
- B. য়ানিক চিনাৰ (Jannik Sinner)
- C. আলেকজেণ্ডাৰ ঝভেৰেভ (Alexander Zverev)
- D. নোভাক জক'ভিচ (Novak Djokovic)

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q89** Key Announcements

2025-26 চনৰ কেন্দ্ৰীয় বাজেট অনুসৰি অহা পাঁচ বছৰত বৰ্ধিত আৰ্থিক সহায়ৰ সৈতে IIT সমূহৰ আৰু IIScৰ প্ৰযুক্তিগত গৱেষণাৰ বাবে কিমান PM ৰিচাৰ্চ ফেল'শ্বিপ প্ৰদান কৰা হ'ব?

- A. 10,000 ✓
- B. 16,000
- C. 12,000
- D. 14,000

**Q90** Military Exercises

2026 চনৰ ফেব্ৰুৱাৰী মাহত অল ডমেইন জইণ্ট অপাৰেচনছ (ADJO) এক্সাৰছাইজ 2026 পৰিকাঠামোৰ অধীনত কোনটো কামাণ্ডে উচ্চ পৰ্যায়ৰ জইণ্ট অপাৰেচন কনক্লেভ আয়োজন কৰিছিল?

- A. চেন্ট্ৰেল এয়াৰ কমাণ্ড (Central Air Command)
- B. ছাউদাৰ্ণ কমাণ্ড (Southern Command)
- C. ৱেষ্টাৰ্ণ এয়াৰ কমাণ্ড (Western Air Command) ✓
- D. ইষ্টাৰ্ণ নেভেল কমাণ্ড (Eastern Naval Command)

**Q91** Missile Tests & Systems

2025 চনত, বহু-স্তৰীয় ভাবুকি প্ৰতিৰোধ কৰিব পৰা এটা থলুৱা বৰ্ধিত-পৰিসৰৰ ভূমিৰ পৰা আকাশলৈ নিক্ষেপ কৰা মিছাইল প্ৰণালী বিকশিত কৰাৰ বাবে, নিম্নলিখিত কোনটো DRDO পৰিচালিত প্ৰকল্পক ভাৰতৰ কৌশলগত পদক্ষেপ হিচাপে চিহ্নিত কৰা হৈছিল?

- A. প্ৰজেক্ট সুৰক্ষা (Project SURAKSHA)
- B. ৰক্ষা শক্তি প্ৰকল্প (Raksha Shakti project)
- C. প্ৰজেক্ট কুশ (Project Kusha) ✓
- D. ডিফেঞ্চ-X (DEFENCE-X)

**Q92** Missile Tests & Systems

2026 চনৰ 7 মে'ত প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা আৰু ভাৰতীয় বায়ুসেনাই ___________ৰ প্ৰথম উৰণ-পৰীক্ষণ সফলতাৰে সম্পন্ন কৰে।

- A. টেকটিকেল এডভান্সড ৰেঞ্জ অগমেণ্টেছন (Tactical Advanced Range Augmentation) ✓
- B. টাৰ্গেট একুইজিচন এণ্ড ৰাডাৰ এছিষ্টেন্স (Target Acquisition and Radar Assistance)
- C. টেকটিকেল এভিয়েচন ৰেছপন্স আৰ্মামেণ্ট (Tactical Aviation Response Armament)
- D. টেকটিকেল এয়াৰবৰ্ণ ৰিক'নাইচেঞ্চ এয়াৰক্ৰাফ্ট (Tactical Airborne Reconnaissance Aircraft)

**Q93** National Current Affairs

2026 চনত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰীৰ নেতৃত্বত 'ফিট ইণ্ডিয়া চানডেইজ অন চাইকেল'ৰ 75 সংখ্যক সংস্কৰণৰ বিশেষ কমনৱেলথ গেমছ সংস্কৰণটো কোনখন শিক্ষানুষ্ঠানৰ চৌহদত আয়োজন কৰা হৈছিল?

- A. ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান বেংগালুৰু
- B. ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান শিলচৰ
- C. ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দিল্লী
- D. ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটী ✓

**Q94** National Current Affairs

নিম্নলিখিত কোনটো সংস্থাই ভাৰতৰ জনজাতীয় সম্প্ৰদায়ৰ ইতিহাস আৰু অৱদানসমূহ নথিভুক্ত কৰিবলৈ 'জনজাতি গৌৰৱ' গ্ৰন্থখন 2026 চনৰ মাৰ্চ মাহত প্ৰকাশ কৰিছিল?

- A. নেচনেল বুক ট্ৰাষ্ট
- B. সাহিত্য অকাডেমী
- C. ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ ✓
- D. জনজাতি পৰিক্ৰমা মন্ত্ৰালয়

**Q95** New Apps & Portals

কোনটো ডেশ্বব'ৰ্ড 2026 চনৰ ফেব্ৰুৱাৰী মাহত নতুন দিল্লীত কেন্দ্ৰীয় অনুসন্ধান ব্যুৰো (CBI)ৰ নতুন চাইবাৰ ক্ৰাইম শাখাৰ উদ্বোধনৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুকলি কৰিছিল?

- A. চেন্ট্ৰেল ফাইনেঞ্চিয়েল ফ্ৰড এনালাইচিছ ডেশ্বব'ৰ্ড (Central Financial Fraud Analysis Dashboard)
- B. ইউনিফাইড ৱমেন ছেফ্টি মনিটৰিং প'ৰ্টেল (Unified Women Safety Monitoring Portal)
- C. ডিজিটেল গভৰ্নেন্স মনিটৰিং ডেশ্বব'ৰ্ড (Digital Governance Monitoring Dashboard)
- D. ষ্টেট চাইবাৰ ক্ৰাইম ক'অৰ্ডিনেচন চেণ্টাৰ (S4C) ডেশ্বব'ৰ্ড (State Cyber Crime Coordination Centre (S4C) dashboard) ✓

**Q96** New Parks & Reserves

উত্তৰ প্ৰদেশৰ কোনখন পক্ষী অভয়াৰণ্যক 2026 চনত আন্তঃৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ আৰ্দ্ৰভূমি (Wetland of International Importance) হিচাপে ৰামচাৰ সূচীত অন্তৰ্ভুক্ত কৰা হৈছিল?

- A. পাটনা পক্ষী অভয়াৰণ্য (Patna Bird Sanctuary) ✓
- B. সুৰ সৰোবৰ পক্ষী অভয়াৰণ্য (Sur Sarovar Bird Sanctuary)
- C. ওখলা পক্ষী অভয়াৰণ্য (Okhla Bird Sanctuary)
- D. নবাবগঞ্জ পক্ষী অভয়াৰণ্য (Nawabganj Bird Sanctuary)

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

**Q97** Policy Changes & Amendments

2026 চনৰ মে' মাহত, চৰকাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনসমূহৰ (NSFs) বাবে আৰ্থিক অনুদানত সংশোধন ঘটায়। এই নতুন নিৰ্দেশনাৱলীৰ অধীনত, আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা আয়োজন ক্ষেত্ৰত সংশোধিত অনুদান কিমান?

A. ₹1 কোটি

B. ₹90 লাখ

C. ₹5 কোটি

D. ₹2 কোটি ✓

**Q98** RBI Policy Updates

কোনকেইটা দিন RBIএ, সুৰক্ষিত বেংকিং অনুশীলনৰ ওপৰত গুৰুত্ব আৰোপ কৰি, বিত্তীয় সাক্ষৰতা সপ্তাহ 2026 (Financial Literacy Week 2026) হিচাপে পালন কৰিছিল?

A. 20 ফেব্ৰুৱাৰীৰ পৰা 24 ফেব্ৰুৱাৰী, 2026

B. 9 ফেব্ৰুৱাৰীৰপৰা 13 ফেব্ৰুৱাৰী, 2026 ✓

C. 15 ফেব্ৰুৱাৰীৰ পৰা 19 ফেব্ৰুৱাৰী, 2026

D. 1 ফেব্ৰুৱাৰীৰ পৰা 5 ফেব্ৰুৱাৰী, 2026

**Q99** Science & Technology Current Affairs

2026 চনৰ 13 মে'ত, ISRO টেলিমেট্ৰী, ট্ৰেকিং এণ্ড কমাণ্ড নেটৱৰ্ক (ISTRAC)য়ে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান বম্বেত SAMEERৰ সৈতে এক ঐতিহাসিক MoU বা বুজাবুজি চুক্তি স্বাক্ষৰ কৰে। SAMEER-এ কোনটো কেন্দ্ৰীয় মন্ত্ৰালয়ৰ অধীনত কাৰ্যনিৰ্বাহ কৰে?

A. প্ৰতিৰক্ষা মন্ত্ৰালয়

B. যোগাযোগ মন্ত্ৰালয়

C. ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয় ✓

D. বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়

**Q100** World Events

2025 চনৰ ডিচেম্বৰ মাহত অষ্ট্ৰেলিয়াত সংঘটিত হোৱা এটা ভয়াৱহ গণ গুলীচালনাৰ (mass shooting) ঘটনাৰ পিছত, প্ৰধানমন্ত্ৰী এন্থনী আলবানিজে (Anthony Albanese) এক বৃহৎ ৰাষ্ট্ৰীয় বন্দুক বাইবেক আঁচনি (national gun buyback scheme) ঘোষণা কৰিছিল। এই ঘটনাটো অষ্ট্ৰেলিয়াৰ কোনটো প্ৰসিদ্ধ স্থানত সংঘটিত হৈছিল?

A. প'ৰ্ট আৰ্থাৰ, তাছমানিয়া (Port Arthur, Tasmania)

B. বণ্ডি বিচ, ছিডনী (Bondi Beach, Sydney) ✓

C. লিণ্ডট কেফে, ছিডনী (Lindt Cafe, Sydney)

D. উইয়ামবিলা, কুইন্সলেণ্ড (Wieambilla, Queensland)

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

## General Science

25 Questions • Answer Key

**Q1** Atomic Structure & Models

ৰাডাৰফ'ৰ্ডৰ α-কণা বিক্ষেপণ পৰীক্ষাত, পৰমাণু এটাৰ বেছিভাগ অংশই খালী ঠাই বা শূন্য-- এই সিদ্ধান্তটো কিহৰ ওপৰত ভিত্তি কৰি লোৱা হৈছিল?

A. পৰমাণুত থকা ইলেক্ট্ৰনবোৰ বৈদ্যুতিকভাৱে উদাসীন আছিল

B. কেৱল কেইটামান α-কণাই বিক্ষেপণ দেখুৱাইছিল ✓

C. সোণৰ পৰমাণু ৰাসায়নিকভাৱে অস্থিৰ আছিল

D. বেছিভাগ α-কণাই সোণৰ পাতখিলা (foil)ৰ দ্বাৰা শোষিত হৈছিল

**Q2** Atoms & Molecules

নিম্নলিখিতবোৰৰ ভিতৰত কাৰ আণৱিক ভৰ 44 u?

A. H2O

B. N2

C. CO2 ✓

D. NH3

**Q3** Basic Organic Chemistry

$CH_3$-$C(CH_3)_2$-$CH_2$-$CH_3$ যৌগটোৰ IUPAC নাম কি?

A. 1,2-ডাইমিথাইলবিউটেন

B. 2,3-ডাইমিথাইলবিউটেন

C. 2,2-ডাইমিথাইলবিউটেন ✓

D. 3,3-ডাইমিথাইলবিউটেন

**Q4** Biodiversity & Conservation

এজন সংৰক্ষণ জীৱবিজ্ঞানীয়ে কেৱল ভাৰতৰ এটা নিৰ্দিষ্ট অঞ্চলত পোৱা নীলগিৰি তাহৰক সুৰক্ষা প্ৰদানৰ বাবে এটা পৰিকল্পনা প্ৰস্তুত কৰিছে। ইয়াৰ শ্ৰেণীবিভাজনৰ ওপৰত ভিত্তি কৰি, ইয়াৰ সংৰক্ষণৰ বাবে কোনটো পদ্ধতি আটাইতকৈ উপযুক্ত হ'ব?

A. আন ঠাইৰ বহুলভাৱে বিস্তৃত হৈ থকা প্ৰজাতিসমূহক প্ৰাধান্য দিয়া

B. পশ্চিম ঘাটত থকা ইয়াৰ থলুৱা (স্থানিক) বাসস্থানৰ ওপৰত গুৰুত্ব আৰোপ কৰা ✓

C. সাধাৰণ বন্যপ্ৰাণী সংৰক্ষিত বনাঞ্চল গঢ়ি তোলা

D. প্ৰজাতিটোক আন অঞ্চললৈ স্থানান্তৰিত কৰা

**Q5** Cell Structure & Organelles

যদি এগৰাকী গৱেষকে দেখে যে এটা নিৰ্দিষ্ট দ্ৰৱত উদ্ভিদৰ কোষ এটা ওফন্দিও উঠা নাই সংকুচিতও হোৱা নাই, তেন্তে তেওঁ নিৰ্ণয় কৰিব পাৰে যে দ্ৰৱটো ____ |

A. বিশুদ্ধ পানী

B. অল্পসাৰী

C. গাঢ়

D. সমসাৰী ✓

**Q6** Cell Structure & Organelles

বেক্টেৰিয়াৰ কোষত, __________ নামৰ অঞ্চলত আনুবংশিক (জিনীয়) পদাৰ্থবোৰ কাষৰ আৱৰণ নোহোৱাকৈ পোৱা যায়।

A. নিউক্লিয়'লাছ

B. কোষপ্ৰৰস

C. ৰিক্তিকা

D. নিউক্লিয়ইড ✓

**Q7** Circulatory System (Heart, Blood)

এগৰাকী গৱেষকে দ্ৰুত প্ৰভাৱৰ বাবে কোনো এটা অংগৰ কোষত পোনপটীয়াকৈ ঔষধ যোগান ধৰিব লাগে। ডেলিভাৰিটোৰে কোনটো ৰক্ত নলিকাক কেউফালৰ কোষবোৰলৈ সৰ্বোত্তম ব্যাপন (optimal diffusion)ৰ বাবে লক্ষ্য হিচাপে লোৱা উচিত?

A. কৈশিক নলিকা (Capillaries), কাৰণ ইহঁতৰ বেৰবোৰ এটা কোষৰ সমান ডাঠ ✓

B. ধমনী, কাৰণ ইহঁতৰ বেৰবোৰ ডাঠ আৰু স্থিতিস্থাপক

C. সিৰা, কাৰণ ইয়াত কপাট থাকে

D. সিৰা, কাৰণ ইহঁতে তেজ সংগ্ৰহ কৰে

**Q8** Digestive System

পাচন ক্ৰিয়াৰ সময়ত মুখৰ ভিতৰত লালটিৰ প্ৰধান কাম কি?

A. ই পোষক দ্ৰব্যসমূহ শোষণ কৰে

B. ই খাদ্যখিনিক পাকস্থলীলৈ কঢ়িয়াই নিয়ে

C. ই সকলো বেক্টেৰিয়া ধ্বংস কৰে

D. ই শ্বেতসাৰক সৰল শৰ্কৰালৈ ভাঙি পেলায় ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q9** Ecology & Environment

______________ক বাদ দি নিম্নলিখিত সকলোবোৰ হৈছে পৃথিৱীৰ প্ৰাকৃতিক ব্যৱস্থাক পুনৰুদ্ধাৰ কৰাৰ উপায়।

A. সৌৰ আৰু বায়ু শক্তিৰ ব্যৱহাৰ কৰা

B. জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ বৃদ্ধি কৰা ✓

C. পানী সংৰক্ষণ কৰা আৰু আৱৰ্জনাৰ পুনঃচক্ৰীয়কৰণ কৰা

D. বৃক্ষৰোপণ কৰা আৰু বহনক্ষম কৃষিকাৰ্যৰ অভ্যাস

**Q10** Ecosystem & Food Chain

প্ৰদত্ত বিবৃতি দুটা বিবেচনা কৰক আৰু সঠিক বিকল্পটো বাছনি কৰক।

**বিবৃতি 1:** এটা পৰিস্থিতিতন্ত্ৰত খাদ্য শৃংখলসমূহ আন্ত:সংযোগ হৈ এক খাদ্য জাল গঠন কৰে।
**বিবৃতি 2:** খাদ্য জালে জীৱসমূহৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতা প্ৰদৰ্শন কৰে।

A. বিবৃতি 1 অশুদ্ধ আৰু বিবৃতি 2 শুদ্ধ

B. বিবৃতি 1 শুদ্ধ আৰু বিবৃতি 2 অশুদ্ধ

C. দুয়োটা বিবৃতি অশুদ্ধ

D. দুয়োটা বিবৃতি শুদ্ধ ✓

**Q11** Extraction & Metallurgy

কপাৰৰ বিদ্যুৎ পৰিশোধনৰ সময়ত, নিম্নলিখিত কোনটো উপাদান আৰু তাৰ ভূমিকা সঠিকভাৱে মিলি আছে?

| উপাদান | পৰিশোধন প্ৰক্ৰিয়াত ভূমিকা |
|---|---|
| A. বিশুদ্ধ কপাৰ | i. এন'ড |
| B. অশুদ্ধ কপাৰ | ii. কেথ'ড |
| C. এছিডিফাইড কপাৰ ছালফেট | iii. বিদ্যুত বিশ্লেষ্য |

A. A - iii, B - i, C - ii

B. A - ii, B - i, C - iii ✓

C. A - i, B - ii, C - iii

D. A - ii, B - iii, C - i

**Q12** Household Wiring & Safety

ধৰক এটা পৰিয়ালে ঘৰৰ সকলো 5 A চকেটৰ ঠাইত 15 A চকেট লগালে আৰু প্ৰতিটোতে একাধিক উচ্চ-ক্ষমতাসম্পন্ন সঁজুলি সংযোগ কৰিলে। ইয়াৰ ফলত কি সম্ভাব্য বিপদাশংকাৰ সৃষ্টি হ'ব পাৰে আৰু কিয়?

A. ই ঘৰটোত বৈদ্যুতিক বিপত্তিৰ আশংকা হ্ৰাস কৰে

B. ই নিশ্চিত কৰে যে সকলো সঁজুলিয়ে নিম্ন ভ'ল্টেজত কাম কৰিব

C. ই যিকোনো পৰিস্থিতিতে ফিউজটো কাৰ্যক্ষম হোৱাত বাধা দিয়ে

D. অতিৰিক্ত প্ৰবাহৰ বাবে ই অভাৰল'ডিং আৰু সম্ভাব্য হ্ৰস্বৱৰ্তনীৰ বিপদাশংকা বৃদ্ধি কৰে ✓

**Q13** Human Eye & Defects

নিম্নলিখিত কোনটোৱে মানুহৰ চকুৰ উপযোজন ক্ষমতাক সৰ্বশ্ৰেষ্ঠভাৱে বৰ্ণনা কৰে?

A. উন্নত দৃষ্টিশক্তিৰ বাবে চকুৰ পতাৰ স্থানৰ সামঞ্জস্য সাধন

B. পোহৰৰ তীব্ৰতাৰ সৈতে চকুৰ মণিৰ আকাৰ সলনি কৰিব পৰা ক্ষমতা

C. বিভিন্ন দূৰত্বত থকা বস্তুৰ ওপৰত ফ'কাছ কৰিবলৈ চকুৰ লেন্সে ইয়াৰ ফ'কাছ দৈৰ্ঘ্য সলনি কৰিব পৰা ক্ষমতা ✓

D. গতিশীল বস্তুক অনুসৰণ কৰিবলৈ চকুৰ মণিৰ গতি কৰা প্ৰক্ৰিয়া

**Q14** Hydrocarbons (Methane, Ethane, etc.)

নিম্নলিখিত কোনযোৰ যৌগই একে আণৱিক সংকেত থকাৰ পিছতো ভিন্ন ৰাসায়নিক ধৰ্ম প্ৰদৰ্শন কৰিব?

A. বিউটেন আৰু আইছ'বিউটেন ✓

B. প্ৰ'পানল আৰু মিথানল

C. ইথেন আৰু ইথিন

D. ইথানল আৰু ইথানয়িক এছিড

**Q15** Magnetic Effects of Current

এগৰাকী শিক্ষাৰ্থীয়ে এডাল প্ৰবাহযুক্ত পোন পৰিবাহীৰ ওচৰত এটা কম্পাছ ৰাখি শলাডালৰ বিক্ষেপণ লক্ষ্য কৰিলে। এই পৰ্যবেক্ষণে পৰিবাহীডালৰ চাৰিওফালৰ অঞ্চলটোৰ বিষয়ে কি সূচায়?

A. পৰিবাহীডালৰ চাৰিওফালে এখন বৈদ্যুতিক ক্ষেত্ৰৰ সৃষ্টি হৈছে

B. অঞ্চলটো মাধ্যাকৰ্ষণিকভাৱে সক্ৰিয় হৈ পৰিছে

C. পৰিবাহীডালৰ চাৰিওফালে তাপ উৎপন্ন হৈছে

D. পৰিবাহীডালৰ চাৰিওফালে এখন চৌম্বক ক্ষেত্ৰ আছে ✓

**Q16** Mechanics

সুষম ত্বৰণেৰে গতিশীল কোনো বস্তুৰ ক্ষেত্ৰত এটা বেগ-সময় লেখডাল এডাল ওপৰলৈ ঢাল খোৱা সৰল ৰেখা। দুটা সময় বিন্দুৰ মাজৰ এই ৰেখাডালৰ তলৰ অংশৰ কালিয়ে কি প্ৰকাশ কৰে?

A. সেই সময় অন্তৰালত বস্তুটোৰ সৰণ ✓

B. সেই সময় অন্তৰালত বস্তুৰ ত্বৰণ

C. সেই সময় অন্তৰালত সৰ্বমুঠ বেগৰ পৰিৱৰ্তন

D. সেই সময় অন্তৰালত গড় বেগ

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q17** Mechanics

বেগ-সময় লেখক ব্যাখ্যা কৰোঁতে, এটা নিৰ্দিষ্ট সময়ৰ ব্যৱধানত লেখৰ তলৰ অংশৰ কালিটোৱে কি ভৌতিক ৰাশিক প্ৰতিনিধিত্ব কৰে?

- A. অতিক্ৰম কৰা দূৰত্ব (বা সৰণ) ✓
- B. বেগৰ পৰিৱৰ্তন
- C. গাড়ীখনৰ দ্ৰুতি
- D. গাড়ীখনৰ ত্বৰণ

**Q18** Mirrors & Lenses

এটা ট্ৰেফিক নিৰীক্ষণ কেমেৰাত 2 m ভাঁজ ব্যাসাৰ্ধৰ এখন উত্তল দাপোণ ব্যৱহাৰ কৰা হৈছে। দাপোণখনৰপৰা 3 m দূৰত্বত থকা এখন গাড়ীৰ প্ৰতিবিম্ব ক'ত গঠিত হ'ব?

- A. দাপোণখনৰ পিছফালে 3 m ত
- B. দাপোণখনৰ সন্মুখত 0.12 m ত
- C. দাপোণখনৰ সন্মুখত 3 m ত
- D. দাপোণখনৰ পিছফালে 0.75 mত ✓

**Q19** Mirrors & Lenses

অৱতল দাপোণৰ মুখ্য ফ'কাছৰ মাজেৰে পাৰ হৈ যোৱা এটা ৰশ্মিৰ প্ৰতিফলনৰ পিছত কি হয়?

- A. মেৰুত একত্ৰিত হয়
- B. দাপোণৰ পৰা অপসাৰিত হয়
- C. ভাঁজকেন্দ্ৰৰ মাজেৰে উভটি প্ৰতিফলিত হয়
- D. মুখ্য অক্ষৰ সমান্তৰালভাৱে উদ্ভৱ হয় ✓

**Q20** Mixtures, Solutions, Colloids

নিম্নলিখিত কোনটোৱে এটা অসমসত্ব মিশ্ৰণক আটাইতকৈ সঠিকভাৱে প্ৰতিনিধিত্ব কৰে?

- A. চেনি আৰু পানীৰ দ্ৰৱ
- B. বালি আৰু পানীৰ দ্ৰৱ ✓
- C. এচিটিক এচিড আৰু পানীৰ দ্ৰৱ
- D. ছ'ডিয়াম ক্ল'ৰাইড আৰু পানী

**Q21** Properties & Tests

যেতিয়া কাৰ্বন ডাই অক্সাইড গেছ চূণ পানীৰ (কেলচিয়াম হাইড্ৰ'ক্সাইড দ্ৰৱ) মাজেৰে প্ৰবাহিত কৰা হয়, তেতিয়া এটা বগা অধঃক্ষেপ উৎপন্ন হয়, যিটো হৈছে:

- A. কেলচিয়াম ছালফেট
- B. কেলচিয়াম অক্সাইড
- C. কেলচিয়াম হাইড্ৰ'জেন কাৰ্বনেট
- D. কেলচিয়াম কাৰ্বনেট ✓

**Q22** Reactivity Series

কোনটো প্ৰাথমিক কাৰকে এটা মৌলই আন এটাক ইয়াৰ যৌগৰ পৰা অপসাৰিত কৰিব পাৰিব নে নাই সেইটো নিৰ্ধাৰণ কৰে?

- A. পাৰমাণৱিক ভৰৰ পাৰ্থক্য
- B. জড়িত মৌলসমূহৰ আপেক্ষিক সক্ৰিয়তা ✓
- C. দ্ৰৱৰ গাঢ়তাৰ পাৰ্থক্য
- D. ভৌতিক অৱস্থাৰ পাৰ্থক্য

**Q23** Respiratory System

ডিঙি (throat)ৰ নিম্নলিখিত কোনটো গঠনে মানুহৰ শ্বাস-পথ (air-passage) ভাজ লগা বা চেপেটা হোৱা (collapse)টো প্ৰতিৰোধ কৰে?

- A. উপাস্থিৰ আঙুঠি ✓
- B. খাদ্যনলী
- C. ফেৰিংছ
- D. লেৰিংছ

**Q24** Work, Energy & Power

এটা ট্ৰলিক 40 Nৰ এক স্থিৰ বলেৰে এটা পোন ট্ৰেকেৰে টানি নিয়া হৈছে। যদি ট্ৰলিটোৰ ওপৰত সম্পাদিত কাৰ্যৰ পৰিমাণ 240 J হয়, তেন্তে ট্ৰলিটোৱে কিমান দূৰত্ব অতিক্ৰম কৰিব?

- A. 2 m
- B. 4 m
- C. 6 m ✓
- D. 12 m

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

**Q25** Work, Energy & Power

যদি 1 N বলে কোনো এটা বস্তুক বলৰ ৰেখাডালৰ কাষেৰে 1 m সৰণ কৰে, তেন্তে সম্পাদন কৰা কাৰ্যটো হ'ল:

- **A.** 1 J ✓
- **B.** 10 J
- **C.** 0.5 J
- **D.** 0.1 J

## Mathematics

25 Questions • Answer Key

**Q26** (a+b)^2, (a-b)^2

নিম্নলিখিত ৰাশিটো সৰল কৰক:

$(2a + 3b + 4c)^2 + (2a - 3b - 4c)^2 - 8a^2 - 18b^2 - 32c^2$

- **A.** 24ab
- **B.** 12bc
- **C.** 48bc ✓
- **D.** 16ac

**Q27** 2-Year Difference

বাৰ্ষিক 8% হাৰত ₹5,000 ধনৰাশি 2 বছৰৰ বাবে বিনিয়োগ কৰা হয়। চক্ৰবৃদ্ধি সুত, বাৰ্ষিক চক্ৰবৃদ্ধি হ'লে আৰু সৰল সুতৰ (₹ত) মাজৰ পাৰ্থক্য নিৰ্ণয় কৰক।

- **A.** ₹80
- **B.** ₹50
- **C.** ₹32 ✓
- **D.** ₹20

**Q28** Angles in Circle

O কেন্দ্ৰবিশিষ্ট বৃত্ত এটাৰ AB আৰু CD জ্যা দুডাল E বিন্দুত লগ হয়। যদি কোণ AOC = 54° আৰু কোণ BOD = 48° হয়, তেন্তে কোণ BED ৰ মান কিমান?

- **A.** 51° ✓
- **B.** 52°
- **C.** 53°
- **D.** 50°

**Q29** Average Speed

এগৰাকী ব্যক্তিয়ে মটৰ চাইকেলেৰে মুঠ 800 km দূৰত্ব অতিক্ৰম কৰে। যাত্ৰাৰ প্ৰথম 12 ঘণ্টাত দ্ৰুতি আছিল 50 km/hr আৰু বাকী যাত্ৰাত দ্ৰুতি হ্ৰাস পাই 25 km/hr হয়। সমগ্ৰ যাত্ৰাটোত তেওঁৰ গড় দ্ৰুতি (km/hrত) কিমান আছিল?

- **A.** 40 ✓
- **B.** 48
- **C.** 42
- **D.** 36

**Q30** Basic TSD

এখন বাছে 7:00 a.m.ত A চহৰৰ পৰা যাত্ৰা আৰম্ভ কৰে আৰু 48 km/h দ্ৰুতিত গতি কৰে; চালকগৰাকীয়ে 10:00 a.m.ত 30 মিনিটৰ এটা জিৰণি লয়। তাৰ পাছত তেওঁ 60 km/hত যাত্ৰা অব্যাহত ৰাখে। তেওঁ A চহৰৰ পৰা 300 km দূৰৰ B চহৰত উপস্থিত হোৱাৰ সময় নিৰ্ণয় কৰক।

- **A.** 1:30 pm
- **B.** 1:06 pm ✓
- **C.** 12:56 pm
- **D.** 1:10 pm

**Q31** Cost with Overhead Expenses

অৰবিন্দই ₹xত এটা সামগ্ৰী ক্ৰয় কৰিলে। তেওঁ সেইটোক 26% লোকচানত বীৰুক বিক্ৰী কৰিলে। বিৰুৱে সেইটোৰ পৰিবহণৰ বাবে ₹102 ব্যয় কৰিলে আৰু 50% লাভত মিনুক বিক্ৰী কৰিলে। যদি মিনুৱে সেইটো ₹1,374ত ক্ৰয় কৰে, তেন্তে xৰ মান কিমান?

- **A.** 1,060
- **B.** 1,100 ✓
- **C.** 1,120
- **D.** 1,080

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q32** Dividing Quantity in Ratio

এটা স্থানীয় ক্লাবৰ নিৰ্বাচনত দুগৰাকী প্ৰাৰ্থীয়ে লাভ কৰা ভোটৰ অনুপাত আছিল 7 : 5; যদি মুঠ ভোটৰ সংখ্যা 360 আছিল, তেন্তে বিজয়ী প্ৰাৰ্থীগৰাকীয়ে কিমানটা ভোট লাভ কৰিছিল?

A. 240
B. 210 ✓
C. 180
D. 200

**Q33** Find SI

প্ৰতি মাহে 6% হাৰৰ সুতত 10 মাহত ₹1,200ৰ সৰল সুত (₹ত) নিৰ্ণয় কৰক।

A. 80
B. 60
C. 720 ✓
D. 120

**Q34** Half-Yearly Compounding

এটা বেংকে অৰ্ধবাৰ্ষিকভিত্তিত গণনাত 6.8% বাৰ্ষিক চক্ৰবৃদ্ধি হাৰত সুত প্ৰদান কৰে। এগৰাকী গ্ৰাহকে এটা বছৰৰ 1 জানুৱাৰী আৰু 1 জুলাইত ₹3,485কৈ জমা থয়। বছৰটোৰ শেষত তেওঁ লাভ কৰা সুতৰ পৰিমাণ কিমান হ'ব? (দশমিকৰ দুটা স্থানলৈ আসন্ন মান উলিয়াওক)

A. ₹376.50
B. ₹352.50
C. ₹348.50
D. ₹359.50 ✓

**Q35** Laws of Indices

যদি $116^{0.26} = x$, $116^{0.1} = y$ আৰু $x^z = y^4$ হয়, তেন্তে zৰ মান প্ৰায় ____________ হ'ব।

A. 2.42
B. 1.54 ✓
C. 0.58
D. 3.39

**Q36** Multiple Pipes

পাইপ Aয়ে এটা টেংকী 6 ঘণ্টাত ভৰ্তি কৰিব পাৰে, পাইপ Bয়ে সেই একেটা টেংকী 28 ঘণ্টাত ভৰ্তি কৰিব পাৰে আৰু পাইপ Cয়ে একেটা টেংকী 21 ঘণ্টাত ভৰ্তি কৰিব পাৰে। যদি আটাইকেইডাল পাইপে একেলগে কাম কৰে, তেন্তে একেটা টেংকীৰ এক-চতুৰ্থাংশ ভৰ্তি কৰিবলৈ পাইপকেইডালক লগা সময় (ঘণ্টাত) হ'ব:

A. 1 ✓
B. 3
C. 4
D. 2

**Q37** Order of Operations

মান নিৰ্ণয় কৰক: 16 - 5 × 3 + 19

A. 19
B. 20 ✓
C. 22
D. 18

**Q38** Percentage Increase/Decrease

ৰমনৰ আয় হৈছে ₹43,000; তেখেতে নিজৰ আয়ৰ 26% সঞ্চয় কৰে। তেখেতৰ আয় যদি 20% বৃদ্ধি পায় আৰু ব্যয় 40% বৃদ্ধি পায়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹4,128 হ্ৰাস পাব ✓
B. ₹4,131 বৃদ্ধি পাব
C. ₹4,133 হ্ৰাস পাব
D. ₹4,133 বৃদ্ধি পাব

**Q39** Successive Discount

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপামূল্য একেই। কুকাৰটোৰ ছপামূল্যৰ ওপৰত দোকান Iয়ে 84% আৰু 97%ৰ দুটা ক্ৰমাগত ৰেহাই দিয়ে, দোকান IIয়ে 42% আৰু 94%ৰ ক্ৰমাগত ৰেহাই দিয়ে, দোকান IIIয়ে 50% আৰু 85%ৰ ক্ৰমাগত ৰেহাই দিয়ে আৰু দোকান IVয়ে 89%, 37% আৰু 82%ৰ ক্ৰমাগত ৰেহাই দিয়ে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

A. II
B. I ✓
C. IV
D. III

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q40** Surface Area (TSA/LSA)

65 cm বাহুবিশিষ্ট এটা ঘনকৰ মুঠ পৃষ্ঠকালি হৈছে:

A. 25320 cm2
B. 25332 cm2
C. 25386 cm2
D. 25350 cm2 ✓

**Q41** Volume

2 m ব্যাসাৰ্ধ আৰু 7 m উচ্চতাবিশিষ্ট এটা বেলনাকাৰ টেংকী পানীৰে সম্পূৰ্ণৰূপে ভৰি আছে; 10% পানী লীক (ওলাই যোৱা) হোৱাৰ পিছত, বাকী থকা পানীখিনিক এটা ডাঙৰ টেংকীত গাখীৰৰ সৈতে 4 : 1 অনুপাতত মিশ্ৰিত কৰা হ'ল। ডাঙৰ টেংকীটোত পানীৰ সৈতে কিমান লিটাৰ গাখীৰ যোগ কৰা হৈছে? (π = 22/7 ধৰক)

A. 17800
B. 19800 ✓
C. 18400
D. 19400

**Q42** Weighted Average

এগৰাকী ছাত্ৰই 40% ভাৰযুক্ত এটা এচাইনমেণ্টত 80 নম্বৰ আৰু 60% ভাৰযুক্ত এটা প্ৰজেক্টত 70 নম্বৰ লাভ কৰে। ছাত্ৰজনৰ ভাৰিত গড় নম্বৰ কিমান?

A. 70
B. 74 ✓
C. 80
D. 72

**Q43** Weighted Average

চাৰিটা বিষয়ৰ বাবে আবণ্টিত ভাৰ যথাক্ৰমে 2,3,4 আৰু 1 হয়। এগৰাকী শিক্ষাৰ্থীয়ে এই বিষয়সমূহত 60, 70, 80 আৰু 90 নম্বৰ লাভ কৰে। নম্বৰসমূহৰ ভাৰিত মাধ্য কিমান?

A. 68
B. 64
C. 78
D. 74 ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q44** Double Pie Chart

তলৰ পাই চিত্ৰসমূহত দেখুওৱা অনুসৰি, A বিদ্যালয়ে নিজৰ বাজেটৰ 33.3% শিক্ষকৰ দৰমহাত খৰচ কৰে আৰু B বিদ্যালয়ে একে শিতানতে নিজৰ বাজেটৰ 25.5% খৰচ কৰে। যদি দুয়োখন বিদ্যালয়ৰ ₹36,00,000ৰ সমানকৈ মুঠ বাজেট হয়, তেন্তে A বিদ্যালয়ে B বিদ্যালয়তকৈ দৰমহাত কিমান বেছি (₹ত) খৰচ কৰে?







A. 4,00,000

B. 5,00,000

C. 2,80,800 ✓

D. 2,00,000

**Q45** Mean Proportional

$3 + \sqrt{2}$ আৰু $12 - \sqrt{32}$ৰ মাজৰ মাধ্য সমানুপাত কি?

A. $3\sqrt{6}$

B. $3\sqrt{7}$

C. $2\sqrt{6}$

D. $2\sqrt{7}$ ✓

Blackbook Vocabulary — Now in the App! ▸ Download Now on Google Play

generated by rank.qmaths.in

**Q46** Mean of Grouped Data

যদি নিম্নলিখিত বিতৰণৰ মাধ্য 64 হয়, (9x + 2y)ৰ মান কিমান?

| শ্ৰেণী | 0-20 | 20-40 | 40-60 | 60-80 | 80-100 | মুঠ |
|---|---|---|---|---|---|---|
| বাৰংবাৰতা | 8 | 20 | x | 6 | y | 80 |

A. 99

B. 106

C. 113 ✓

D. 94

**Q47** Pythagorean Identities

$[(1 + \cot^2 A) + (1 + \frac{1}{\cot^2 A})] \times \sin^2 A \cos^2 A$ৰ মান কি?

A. 1 ✓

B. 4

C. 5

D. 3

**Q48** Ratio Comparison

মনোজৰ ওজন সঞ্জুৰ ওজনৰ $\frac{5}{7}$ গুণ। সঞ্জুৰ ওজন মনোজৰ ওজনকৈ ভগ্নাংশত কিমান বেছি?

A. $\frac{2}{5}$ ✓

B. $\frac{3}{7}$

C. $\frac{2}{7}$

D. $\frac{7}{5}$

**Q49** Reciprocal Relations

যদি $\cos A = \frac{9}{41}$ আৰু $A$ এটা সূক্ষ্মকোণ হয়, তেন্তে $\operatorname{cosec} A \cos A + \sec A \sin A$ নিৰ্ণয় কৰক।

A. $4\frac{241}{360}$ ✓

B. $5\frac{317}{360}$

C. $2\frac{131}{180}$

D. $3\frac{119}{180}$

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

**Q50** Surds

মান নিৰ্ণয় কৰক:

$$\frac{\sqrt{264} \times \sqrt{330} \times \sqrt{1125}}{\sqrt{1296} \times \sqrt{400}}$$

A. $\frac{38}{3}$

B. $\frac{55}{4}$ ✓

C. $\frac{11}{2}$

D. $\frac{89}{6}$

## General Intelligence & Reasoning

30 Questions • Answer Key

**Q51** Alpha-Numeric Series

প্ৰদত্ত সংখ্যা শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। গণনা কেৱল বাওঁফালৰ পৰা সোঁফাললৈ কৰিব। সকলোবোৰ সংখ্যা এটা অংকৰ সংখ্যা।

(বাওঁফাল) 7 1 5 9 2 7 6 5 8 2 3 2 5 9 7 8 6 4 2 8 (সোঁফাল)

এনে কিমানটা যুগ্ম অংক আছে, যাৰ ঠিক আগত এটা অযুগ্ম অংক আছে আৰু লগতে ঠিক পিছত এটা অযুগ্ম অংক আছে?

A. দুটা

B. এটা

C. চাৰিটা

D. তিনিটা ✓

**Q52** Alpha-Numeric Series

প্ৰদত্ত সংখ্যা শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। গণনা কেৱল বাওঁফালৰ পৰা সোঁফাললৈ কৰিব। সকলো সংখ্যা কেৱল এটা অংকৰ সংখ্যা।

(বাওঁ) 6 3 7 1 2 3 8 6 4 2 9 7 1 3 8 5 3 2 1 9 6 4 (সোঁ)

এনে কিমানটা অযুগ্ম অংক আছে, যাৰ প্ৰতিটোৰে ঠিক আগত এটা যুগ্ম অংক আছে আৰু লগতে ঠিক পিছত এটা যুগ্ম অংক আছে?

A. দুটা

B. তিনিটা

C. এটাও নাই

D. এটা ✓

**Q53** Alphabet / Word Test

6743219 সংখ্যাটোৰ প্ৰতিটো অংকক বাওঁফালৰ পৰা সোঁফাললৈ ঊৰ্ধ্ব ক্ৰমত সজোৱা হৈছে। এইদৰে গঠিত নতুন সংখ্যাটোত বাওঁফালৰ পৰা দ্বিতীয়টো আৰু সোঁফালৰ পৰা দ্বিতীয়টো অংকৰ যোগফল কিমান হ'ব?

A. 11

B. 10

C. 8

D. 9 ✓

**Q54** Alphabet / Word Test

যদি 5891632 সংখ্যাটোৰ প্ৰতিটো যুগ্ম অংকত 1 যোগ কৰা হয় আৰু প্ৰতিটো অযুগ্ম অংকৰ পৰা 1 বিয়োগ কৰা হয়, তেন্তে এনেদৰে গঠন হোৱা নতুন সংখ্যাটোৰ বৃহত্তম আৰু ক্ষুদ্ৰতম অংকৰ মাজৰ পাৰ্থক্য কিমান হ'ব?

A. 7

B. 8

C. 9 ✓

D. 5

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q55** Facing Center

B, D, E, P, S, T আৰু W এখন বৃত্তাকাৰ টেবুলৰ কেউফালে টেবুলখনৰ কেন্দ্ৰলৈ মুখ কৰি বহি আছে।
Tৰ বাওঁফালৰ পৰা গণনা কৰিলে B আৰু Tৰ মাজত কেৱল দুগৰাকী ব্যক্তি বহিছে। Wৰ বাওঁফালে তৃতীয় স্থানত E বহিছে। Wৰ ঠিক সোঁফালে P বহিছে। Bৰ বাওঁফালে দ্বিতীয় স্থানত P বহিছে। Eৰ ঠিক কাষত S বহি থকা নাই। Dৰ সোঁফালৰপৰা গণনা কৰিলে D আৰু Wৰ মাজত কিমানগৰাকী ব্যক্তি বহিছে?

A. তিনিগৰাকী

B. এগৰাকী ✓

C. দুগৰাকী

D. চাৰিগৰাকী

**Q56** Floor/Building Arrangement

সাতটা বাকচ I, J, K, Q, R, S আৰু Tক এটাৰ ওপৰত আনটোকৈ ৰখা হয় যদিও একেটা ক্ৰমত নাথাকিবও পাৰে; I-ৰ ওপৰত কেৱল Qক ৰখা হৈছে। J আৰু Kৰ মাজত কেৱল Rক ৰখা হৈছে। Jৰ তলত কেৱল Sক ৰখা হৈছে। R আৰু Qৰ মাজত কিমানটা বাকচ ৰখা হৈছে?

A. দুটা

B. চাৰিটা

C. তিনিটা ✓

D. এটা

**Q57** Floor/Building Arrangement

A, G, H, P, S আৰু Yএকেটা অট্টালিকাৰ ছটা ভিন্ন মহলাত বাস কৰে। অট্টালিকাটোৰ আটাইতকৈ তলৰ মহলাটো হৈছে 1 নম্বৰ মহলা, তাৰ ওপৰৰ মহলাটো হৈছে 2 নম্বৰ মহলা আৰু এনেদৰে গৈ আটাইতকৈ ওপৰৰ মহলাটো হৈছে 6 নম্বৰ মহলা।
S বাস কৰে 5 নম্বৰ মহলাত। G বাস কৰে Sৰ ওপৰৰ এটা মহলাত। Hৰ তলত কেৱল Y বাস কৰে। P বাস কৰে কৰে এটা যুগ্ম-নম্বৰৰ মহলাত।
Aৰ তলত কিমানগৰাকী ব্যক্তিয়ে বাস কৰে?

A. এগৰাকী

B. চাৰিগৰাকী

C. তিনিগৰাকী

D. দুগৰাকী ✓

**Q58** Group Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি প্ৰদত্ত শৃংখলাটোৰ প্ৰশ্নচিহ্ন (?)ৰ স্থানত কি আহিব?

SHR APZ IXH QFP ?

A. YNX ✓

B. NYX

C. NXY

D. YNI

**Q59** Letter Analogy

TL -6ৰ সৈতে QP 5 এটা নিৰ্দিষ্ট ধৰণে সম্পৰ্কিত হৈ আছে। একে ধৰণে KC -2ৰ সৈতে HG 9 সম্পৰ্কিত হৈ আছে। একেটা যুক্তি অনুসৰণ কৰি, নিম্নলিখিত কোনটো বিকল্পৰ সৈতে LK 19 সম্পৰ্কিত হৈ আছে?

A. DG 7

B. OG 8 ✓

C. JI 5

D. FT 6

**Q60** Letters Between Two Positions

এই প্ৰশ্নটো প্ৰদত্ত শব্দবোৰৰ ওপৰত আধাৰিত।

(বাওঁফাল) EYE, SAT, EAR, CAT (সোঁফাল)

সোঁফালৰ পৰা তৃতীয় শব্দটোৰ তৃতীয় বৰ্ণটো আৰু বাওঁফালৰ পৰা প্ৰথম শব্দটোৰ দ্বিতীয় বৰ্ণটোৰ মাজত ইংৰাজী বৰ্ণমালাৰ ক্ৰমত কিমানটা বৰ্ণ আছে?

A. তিনিটা

B. চাৰিটা ✓

C. পাঁচটা

D. ছটা

Blackbook Vocabulary — Now in the App! ▸ Download Now on Google Play

**Q61** Letters Between Two Positions

প্ৰশ্নটো প্ৰদত্ত শব্দসমূহৰ ওপৰত আধাৰিত।

(বাওঁফাল) TOFU, BOTH, FARE, SANE, ZERO (সোঁফাল)

বাওঁফালৰ পৰা প্ৰথম শব্দটোৰ চতুৰ্থ বৰ্ণ আৰু সোঁফালৰ পৰা প্ৰথম শব্দটোৰ প্ৰথম বৰ্ণটোৰ মাজত, ইংৰাজী বৰ্ণমালাৰ ক্ৰমত কিমানটা বৰ্ণ আছে?

A. এটা

B. তিনিটা

C. দুটা

D. চাৰিটা ✓

**Q62** Letters in a Given Word

MAGNIFIERS শব্দটোৰ প্ৰতিটো স্বৰবৰ্ণক ইংৰাজী বৰ্ণমালাৰ ক্ৰমত ইয়াৰ ঠিক পাছৰটো বৰ্ণলৈ সলনি কৰা হয় আৰু প্ৰতিটো ব্যঞ্জনবৰ্ণক ইংৰাজী বৰ্ণানুক্ৰমত ইয়াৰ আগত থকা দ্বিতীয়টো বৰ্ণলৈ সলনি কৰা হয়। এইদৰে গঠিত বৰ্ণৰ গোটত নিম্নলিখিত কোনটো বৰ্ণ ঠিক দুবাৰ দেখা যাব?

A. L

B. F

C. D

D. J ✓

**Q63** Missing Number

প্ৰদত্ত শৃংখলাটোৰ '?'ৰ স্থানত কি আহিব?
7 21 43 73 111 ?

A. 163

B. 153

C. 151

D. 157 ✓

**Q64** Operation Based

এক নিৰ্দিষ্ট যুক্তি অনুসৰণ কৰি 173ৰ সৈতে 57 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি 197ৰ সৈতে 65 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি নিম্নলিখিত কোনটোৰ সৈতে 49 সম্পৰ্কিত?

(টোকা: সংখ্যাসমূহক ইহঁতৰ গঠনকাৰী অংকসমূহলৈ বিভক্ত নকৰাকৈ এই গাণিতিক সংক্ৰিয়াসমূহ সম্পূৰ্ণ সংখ্যাৰ ওপৰত কৰা উচিত। যেনেকৈ 13ৰ ক্ষেত্ৰত - 13 ৰ ওপৰত কৰা যিকোনো গাণিতিক সংক্ৰিয়া যেনে- যোগ/ বিয়োগ/ পূৰণ ইত্যাদি 13 ৰ ওপৰত কৰিব পাৰি। 13 ক 1 আৰু 3 লৈ ভাঙিলৈ 1 আৰু 3 ৰ ওপৰত গাণিতিক সংক্ৰিয়াসমূহ কৰাটো অনুমোদিত নহয়।)

A. 122

B. 136

C. 175

D. 149 ✓

**Q65** Operation Based

এক নিৰ্দিষ্ট যুক্তি অনুসৰণ কৰি 136ৰ সৈতে 33 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি 116ৰ সৈতে 28 সম্পৰ্কিত। একেটা যুক্তি অনুসৰণ কৰি নিম্নলিখিত কোনটোৰ সৈতে 18 সম্পৰ্কিত?

(টোকা: সংখ্যাসমূহক ইহঁতৰ গঠনকাৰী অংকসমূহলৈ বিভক্ত নকৰাকৈ এই গাণিতিক প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ সংখ্যাৰ ওপৰত কৰা উচিত। যেনেকৈ 13ৰ ক্ষেত্ৰত - 13 ৰ ওপৰত কৰা যিকোনো গাণিতিক প্ৰক্ৰিয়া যেনে- যোগ/ বিয়োগ/ পূৰণ ইত্যাদি 13 ৰ ওপৰত কৰিব পাৰি। 13 ক 1 আৰু 3 লৈ ভাঙিলৈ 1 আৰু 3 ৰ ওপৰত গাণিতিক প্ৰক্ৰিয়াসমূহ কৰাটো অনুমোদিত নহয়।)

A. 84

B. 76 ✓

C. 77

D. 74

**Q66** Pattern Based

নিম্নলিখিত ত্ৰয়ীবোৰত, প্ৰতিটো বৰ্ণগোট এটা নিৰ্দিষ্ট যুক্তি অনুসৰণ কৰি পৰৱৰ্তীৰটোৰ সৈতে সম্পৰ্কিত। প্ৰদত্ত বিকল্পসমূহৰ পৰা একেটা যুক্তি অনুসৰণ কৰাটো বাছনি কৰক।

BUNK - BKNU - KNUB
POUR - PRUO - RUOP

A. DEAR - DRAE - RAED ✓

B. MONK - OMNK - KONM

C. VENT - VETN - ENTV

D. RING - RNIG - GNIR

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q67** Pattern Based

নিম্নলিখিত কোনটো বৰ্ণ-গুচ্ছই # আৰু %ক প্ৰতিস্থাপিত কৰিব লাগিব যাতে :: ৰ বাওঁফালে থকা বৰ্ণ-গুচ্ছ যুটিৰ মাজত অনুসৰণ কৰা আৰ্হি আৰু সম্পৰ্ক :: ৰ সোঁফালে থকাৰ সৈতে একে হয়?

GOT : # :: % : SFM

- A. # = JRW, % = PCJ ✓
- B. # = GRW, % = PGJ
- C. # = JPW, % = PCJ
- D. # = KPS, % = PGJ

**Q68** Position Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি নিম্নলিখিত চাৰিটা বৰ্ণ-গুচ্ছৰ ভিতৰত তিনিটা এক নিৰ্দিষ্ট ধৰণে একে আৰু এইদৰে এটা গোট গঠন কৰে। কোনটো সেই গোটৰ অন্তৰ্গত নহয়?
(টোকা: অমিলটো ব্যঞ্জনবৰ্ণ/স্বৰবৰ্ণৰ সংখ্যা বা বৰ্ণ-গুচ্ছত এইবোৰৰ স্থানৰ ভিত্তিত নহয়।)

- A. ZDC
- B. XBA
- C. WAZ
- D. EJH ✓

**Q69** Position Pattern

ইংৰাজী বৰ্ণানুক্ৰম অনুসৰি নিম্নলিখিত চাৰিটা বৰ্ণ-গুচ্ছ যুটিৰ ভিতৰত তিনিটা এক নিৰ্দিষ্ট ধৰণে একে আৰু এইদৰে এটা গোট গঠন কৰে। নিম্নলিখিত কোনটো সেই গোটৰ অন্তৰ্গত নহয়?
(টোকা: অমিলটো ব্যঞ্জনবৰ্ণ/স্বৰবৰ্ণৰ সংখ্যা বা বৰ্ণ-গুচ্ছত এইবোৰৰ স্থানৰ ভিত্তিত নহয়।)

- A. QS - VX
- B. IK - NQ ✓
- C. EG - JL
- D. MO - RT

**Q70** Position from Left/Right

54 গৰাকী ব্যক্তিৰ সকলোৱে উত্তৰ দিশলৈ মুখ কৰি এটা শাৰীত থিয় হৈ আছে। অৰুণা বাওঁপ্ৰান্তৰ পৰা 18 সংখ্যক স্থানত আৰু তৃপ্তি সোঁপ্ৰান্তৰ পৰা 17 সংখ্যক স্থানত আছে। অৰুণা আৰু তৃপ্তিৰ মাজত কিমানগৰাকী ব্যক্তি আছে?

- A. 19 ✓
- B. 20
- C. 18
- D. 17

**Q71** Rearrangement of Letters

YANKING শব্দটোত থকা প্ৰতিটো বৰ্ণ ইংৰাজী বৰ্ণানুক্ৰমত সজ্জিত কৰা হৈছে। নতুনকৈ গঠিত বৰ্ণ-গুচ্ছটোত বাওঁফালৰ পৰা প্ৰথম বৰ্ণ আৰু সোঁফালৰ পৰা চতুৰ্থ বৰ্ণৰ মাজত ইংৰাজী বৰ্ণমালাৰ ক্ৰমত কেইটা বৰ্ণ আছে?

- A. 11
- B. 12
- C. 13
- D. 9 ✓

**Q72** Single Row (One-way/Both-way)

সাতগৰাকী ব্যক্তি P, Q, S, T, U, V আৰু W সকলোৱে উত্তৰ দিশলৈ মুখ কৰি এটা শাৰীত বহি আছে। P আৰু Tৰ মাজত ঠিক পাঁচগৰাকী ব্যক্তি বহি আছে। Tৰ ঠিক বাওঁফালে W বহি আছে। W আৰু Qৰ মাজত ঠিক এগৰাকী ব্যক্তি বহি আছে। S বহিছে Uৰ বাওঁফালে কিন্তু Vৰ সোঁফালে কোনো এক স্থানত। প্ৰদত্ত তথ্যৰ ভিত্তিত, শাৰীটোৰ বাওঁপ্ৰান্তৰ পৰা তৃতীয় স্থানত কোন বহি আছে?

- A. S ✓
- B. W
- C. Q
- D. P

**Q73** Symbol Based

এটা নিৰ্দিষ্ট সাংকেতিক ভাষাত,
A # B মানে 'A হৈছে Bৰ পুত্ৰ',
A % B মানে 'A হৈছে Bৰ ভাতৃ',
A − B মানে 'A হৈছে Bৰ পত্নী' আৰু
A @ B মানে 'A হৈছে Bৰ পিতৃ'.

যদি 'M % E # W − P @ K' হয়, তেন্তে M কিদৰে Kৰ সৈতে সম্পৰ্কিত?

- A. পুত্ৰ
- B. স্বামী
- C. ভাতৃ ✓
- D. পিতৃ

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q74** Symbol Based

এটা নিৰ্দিষ্ট ক'ড ভাষাত,
A @ B মানে 'A হৈছে Bৰ মাতৃ'
A # B মানে 'A হৈছে Bৰ ভাতৃ'
A $ B মানে 'A হৈছে Bৰ পত্নী'
A % B মানে 'A হৈছে Bৰ পিতৃ'

যদি 'কবি @ এশ্বলী $ শ্বানা % জেছ # মাৰ্শ্বা' হয়, তেন্তে কবি কিদৰে মাৰ্শ্বাৰ সৈতে সম্পৰ্কিত?

- A. মাতৃৰ মাতৃ ✓
- B. পিতৃৰ মাতৃ
- C. পিতৃৰ ভগ্নী
- D. মাতৃৰ ভগ্নী

**Q75** Symbol Included Pattern

প্ৰদত্ত বৰ্ণ, সংখ্যা আৰু চিহ্নৰ শৃংখলাটো চাওক আৰু নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়ক। সকলো সংখ্যা কেৱল এটা অংকৰ সংখ্যা। গণনা কেৱল বাওঁফালৰ পৰা সোঁফাললৈ কৰিব।

(বাওঁফাল) 1 T 5 # 6 % G F 4 & J @ S R 7 ! N * Q H $ (সোঁফাল)

এনে কিমানটা চিহ্ন আছে, যাৰ প্ৰতিটোৰে ঠিক আগত এটা বৰ্ণ আছে আৰু লগতে ঠিক পিছত এটা সংখ্যা আছে?

- A. তিনিটা
- B. দুটা
- C. এটা
- D. এটাও নাই ✓

**Q76** Symbol Substitution

প্ৰদত্ত সমীকৰণটোত যদি 'A' মানে '+', 'B' মানে '−', 'C' মানে '×' আৰু 'D' মানে '÷' হয়, তেন্তে প্ৰশ্ন চিহ্ন (?)ৰ স্থানত কি আহিব?
80 D 10 C 3 A 12 B 7 = ?

- A. 28
- B. 29 ✓
- C. 30
- D. 27

**Q77** Two Statement Sufficiency

এটা প্ৰশ্নৰ পিছত (I) আৰু (II) সংখ্যাকৃত দুটা বিবৃতি আছে। বিবৃতিসমূহত প্ৰদান কৰা তথ্যবোৰ প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত নে নহয় সেইয়া আপুনি সিদ্ধান্ত ল'ব লাগিব। দুয়োটা বিবৃতি সাৱধানে পঢ়ক আৰু উপযুক্ত উত্তৰটো বাছনি কৰক।

**Q.** আমু, ৰবী, ক'না, ডিনু আৰু এছ এখন বৃত্তাকাৰ মেজৰ কেউফালে, কেন্দ্ৰলৈ মুখ কৰি বহি আছে। ক'নাৰ ঠিক সোঁফালে কোন বহি আছে?
**(I)** ৰবীৰ সোঁফালে দ্বিতীয় স্থানত আমু আছে। ৰবীৰ বাঁওফালে দ্বিতীয় স্থানত ক'না আছে।
**(II)** এছৰ সোঁফালে দ্বিতীয় স্থানত ডিনু আছে। ডিনুৰ ঠিক সোঁফালে আমু বহি আছে।

- A. প্ৰশ্নটোৰ উত্তৰ দিবলৈ I আৰু II দুয়োটা বিবৃতিৰ তথ্য একেলগে (আৰু কেৱল বিবৃতি I বা কেৱল II নহয়) যথেষ্ট ✓
- B. প্ৰশ্নটোৰ উত্তৰ দিবলৈ কেৱল বিবৃতি IIৰ তথ্যই যথেষ্ট যদিও বিবৃতি Iৰ তথ্য নহয়
- C. প্ৰশ্নটোৰ উত্তৰ দিবলৈ কেৱল বিবৃতি Iৰ তথ্যই যথেষ্ট যদিও বিবৃতি IIৰ তথ্য নহয়
- D. প্ৰশ্নটোৰ উত্তৰ দিবলৈ I আৰু II দুয়োটা বিবৃতিৰ তথ্য একেলগেও পৰ্যাপ্ত নহয়

**Q78** Two Statement Sufficiency

এই প্ৰশ্নটোত, এটা প্ৰশ্ন আৰু তাৰ পিছত (I) আৰু (II) নম্বৰযুক্ত দুটা বিবৃতি দিয়া হৈছে। বিবৃতিত দিয়া তথ্যসমূহ প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত হয়নে নহয় আপুনি সিদ্ধান্ত লব লাগিব। দুয়োটা বিবৃতি পঢ়ক আৰু উপযুক্ত উত্তৰটো বাছনি কৰক।
ভিন্ন উচ্চতাৰ 5 ডাল লাঠি V, H, Y, D আৰু Nৰ ভিতৰত কোনডাল লাঠি আটাইতকৈ দীঘল?

(I) H লাঠিডাল Vতকৈ চুটি কিন্তু Yতকৈ দীঘল।
(II) D লাঠিডাল Nতকৈ দীঘল।

- A. প্ৰশ্নটোৰ উত্তৰ দিবলৈ বিবৃতি I আৰু বিবৃতি II দুয়োটা একেলগে ( আৰু কেৱল বিবৃতি I বা কেৱল বিবৃতি II নহয়) পৰ্যাপ্ত
- B. প্ৰশ্নটোৰ উত্তৰ দিবলৈ বিবৃতি I আৰু বিবৃতি II দুয়োটা একেলগে পৰ্যাপ্ত নহয় ✓
- C. কেৱল বিবৃতি II ত থকা তথ্য প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত, কিন্তু বিবৃতি I ত থকা তথ্য পৰ্যাপ্ত নহয়
- D. কেৱল বিবৃতি I ত থকা তথ্য প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত, কিন্তু বিবৃতি II ত থকা তথ্য পৰ্যাপ্ত নহয়

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play
generated by rank.qmaths.in

**Q79** Two Statement Sufficiency

এটা প্ৰশ্নৰ পাছত (I) আৰু (II) নম্বৰযুক্ত দুটা বিবৃতি দিয়া হৈছে। বিবৃতিসমূহত প্ৰদান কৰা তথ্য প্ৰশ্নটোৰ উত্তৰ দিবলৈ পৰ্যাপ্ত হয় নে নহয় আপুনি সিদ্ধান্ত ল'ব লাগিব। দুয়োটা বিবৃতি পঢ়ক আৰু আটাইতকৈ উপযুক্ত উত্তৰটো বাছনি কৰক।
পাঁচডাল ভিন্ন উচ্চতাৰ লাঠি- V, H, Y, D আৰু Nৰ ভিতৰত কোনডাল লাঠি আটাইতকৈ দীঘল?
(I) Y হৈছে Nতকৈ চুটি।
(II) D হৈছে Nতকৈ দীঘল।

- A. প্ৰশ্নটোৰ উত্তৰ দিবলৈ I আৰু II দুয়োটা বিবৃতি একেলগে (আৰু কেৱল বিবৃতি I বা বিবৃতি II নহয়) পৰ্যাপ্ত
- B. প্ৰশ্নটোৰ উত্তৰ দিবলৈ কেৱল বিবৃতি Iৰ তথ্যই পৰ্যাপ্ত, আনহাতে বিবৃতি IIৰ তথ্য নহয়
- C. প্ৰশ্নটোৰ উত্তৰ দিবলৈ কেৱল বিবৃতি IIৰ তথ্যই পৰ্যাপ্ত, আনহাতে বিবৃতি Iৰ তথ্য নহয়
- D. প্ৰশ্নটোৰ উত্তৰ দিবলৈ I আৰু II দুয়োটা বিবৃতি একেলগেও পৰ্যাপ্ত নহয় ✓

**Q80** Word to Code Mapping

এটা নিৰ্দিষ্ট ক'ড ভাষাত, 'learn from mistakes'ক 'wg ht kc' বুলি আৰু 'mistakes shape us'ক 'aq sn ht' বুলি ক'ড কৰা হয়। প্ৰদত্ত ভাষাটোত 'mistakes'ক কি বুলি ক'ড কৰা হয়? ((সকলো ক'ড দুটা বৰ্ণৰ ক'ড।)

- A. kc
- B. wg
- C. ht ✓
- D. aq

## General Awareness

20 Questions • Answer Key

**Q81** Civilian Awards

কোনগৰাকী বিশিষ্ট জনজাতীয় বিখ্যাত ব্যক্তিত্ব আৰু ঝাৰখণ্ডৰ তিনিবাৰৰ প্ৰাক্তন মুখ্য মন্ত্ৰীক 2026 চনত মৰণোত্তৰভাৱে পদ্মভূষণ বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হৈছিল?

- A. শ্ৰী অৰ্জুন মুণ্ডা
- B. শ্ৰী শিবু ছোৰেন ✓
- C. শ্ৰী বাবুলাল মাৰাণ্ডি
- D. শ্ৰী মধু কোডা

**Q82** Conflicts & Peace Processes

2026 চনৰ 3 জানুৱাৰীত, USৰ সামৰিক বাহিনীয়ে "অপাৰেচন ৰিজ'ল্ভ (Operation Resolve)" — নামৰ এটা আকস্মিক অভিযান চলাই কোনখন দেশৰ ৰাজধানীৰপৰা তাৰ ৰাষ্ট্ৰপতিক আটক কৰিছিল, যাক পিছত নাৰ্কো-টেৰ'ৰিজম (narco-terrorism)ৰ অভিযোগৰ সন্মুখীন কৰোৱাবলৈ নিউয়ৰ্কলৈ বিমানযোগে লৈ যোৱা হৈছিল?

- A. ভেনিজুৱেলা ✓
- B. বলিভিয়া
- C. কলম্বিয়া
- D. কিউবা

**Q83** Environment Current Affairs

নতুন দিল্লীত শক্তি মন্ত্ৰালয় আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অধীনত শক্তি দক্ষতা ব্যুৰোৱে আয়োজন কৰা কাৰ্বন বজাৰৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন - প্ৰকৃতি 2026 (Prakriti 2026)ৰ বিষয়বস্তু কি আছিল?

- A. গোলকীয় অংশীদাৰিত্ব আৰু ডিজিটেল মাধ্যমৰ জৰিয়তে NDC ৰূপায়ণৰ বাবে কাৰ্বন ফাইনেন্সৰ সুবিধা প্ৰদান কৰা (Unlocking Carbon Finance for NDC Implementation through Global Partnerships and Digital Pathways) ✓
- B. স্বচ্ছ শক্তিৰ উদ্ভাৱন আৰু বিত্তীয় সাহায্যৰ জৰিয়তে জলবায়ু স্থিতিস্থাপকতা গঢ়ি তোলা (Building Climate Resilience through Clean Energy Innovation and Finance)
- C. নেট জিৰ' আৰু শক্তি সুৰক্ষাৰ বাবে সেউজ প্ৰযুক্তিৰ প্ৰসাৰ কৰা (Promoting Green Technology for Net Zero and Energy Security)
- D. বহনক্ষম ঔদ্যোগিক পৰিৱৰ্তনৰ বাবে নৱীকৰণযোগ্য শক্তিৰ ক্ষিপ্ৰকৰণ (Accelerating Renewable Energy for Sustainable Industrial Transformation)

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q84** Government Policies & Schemes

সামৰ্থ্য বৰ্দ্ধন আয়োগ (Capacity Building Commission)ৰ প্ৰতিষ্ঠা দিৱস আৰু মিছন কৰ্মযোগী (Mission Karmayogi)ৰ পাঁচ বছৰ পূৰ্তি উপলক্ষে 2026 চনৰ 2–8 এপ্ৰিললৈ উদযাপন কৰা কোনটো সপ্তাহজোৰা শাসন আৰু সামৰ্থ্য বিকাশ উদ্যোগত উচ্চ শিক্ষা বিভাগৰদ্বাৰা আয়োজিত ভাৰতীয় জ্ঞান প্ৰণালী (IKS)ৰ ওপৰত এক বাৰ্তালাপ বা ইণ্টাৰেক্টিভ অধিৱেশন অন্তৰ্ভুক্ত আছিল?

- A. সাধনা সপ্তাহ 2026 ✓
- B. বিকশিত ভাৰত সপ্তাহ 2026
- C. কৰ্মযোগী গৱৰ্নেন্স উইক 2026
- D. নেচনেল এডুকেচন এডভান্সমেণ্ট উইক 2026

**Q85** Individual Records ENGLISH

What achievement is associated with Siddhant Banthia in recent Indian sports news of May month of 2026?

- A. Winning a national badminton championship
- B. Receiving the Arjuna Award for excellence
- C. Claiming a doubles tennis title with Alexander Donski ✓
- D. Captaining the Indian cricket team in a series win

**Q86** Individual Records

কোনগৰাকী খেলুৱৈয়ে পোলেণ্ডৰ ট'ৰুণ (Toruń)ত অনুষ্ঠিত 2026 বিশ্ব এথলেটিকছ ইনড'ৰ চেম্পিয়নশ্বিপত 2012 চনৰ ইস্তানবুল চেম্পিয়নশ্বিপৰ পৰা অক্ষুণ্ণ হৈ থকা অভিলেখ অতিক্ৰমি পুৰুষৰ ইনড'ৰ হেপ্টাথলনৰ বিশ্ব অভিলেখ স্থাপন কৰিছিল?

- A. কেভিন মেয়াৰ (Kevin Mayer)
- B. ছিমন এহামাৰ (Simon Ehammer) ✓
- C. ডেমিয়ান ৱাৰ্নাৰ (Damian Warner)
- D. নিকলাছ কাউল (Niklas Kaul)

**Q87** Individual Records

2026 চনৰ মে' মাহত ৰাঁচীত অনুষ্ঠিত ফেডাৰেচন কাপত ভাৰতীয় স্প্ৰিণ্টিঙে এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈছিল। 100 m দৌৰত 10.10-চেকেণ্ডৰ বেৰিয়াৰ অতিক্ৰম কৰা প্ৰথমগৰাকী ভাৰতীয় পুৰুষ কোন হৈছিল?

- A. গুৰিন্দৰবীৰ সিং ✓
- B. বিশাল টি কে
- C. অনিমেষ কুজুৰ
- D. যশস পি

**Q88** Key Announcements

ভাৰতৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ ঘোষণা অনুসৰি 2025–26 চনত চৰকাৰে জিলা চিকিৎসালয়সমূহত কিমানটা ডে' কেয়াৰ কেন্সাৰ চেণ্টাৰ স্থাপন কৰিব?

- A. 400
- B. 500
- C. 300
- D. 200 ✓

**Q89** Key Announcements

সংশোধিত সুত সাহায্য আঁচনিৰ (modified interest subvention scheme) অধীনত 2025 চনৰ বাজেট অনুসৰি কিষাণ ক্ৰেডিট কাৰ্ডৰ জৰিয়তে লোৱা ঋণৰ নতুন ক্ৰেডিট সীমা কিমান?

- A. ₹4 লাখ
- B. ₹6 লাখ
- C. ₹5 লাখ ✓
- D. ₹3 লাখ

**Q90** Military Exercises

42 খন জাহাজ আৰু 29 খন বিমানৰ অংশগ্ৰহণেৰে 2026 চনৰ ফেব্ৰুৱাৰী মাহত বিশাখাপট্টনমৰ উপকূলত ভাৰতীয় নৌসেনাই কোনটো বহুপাক্ষিক নৌসেনা অনুশীলন আয়োজন কৰিছিল?

- A. মালাবাৰ (Malabar)
- B. বৰুণ (Varuna)
- C. কংকন (Konkan)
- D. মিলান (MILAN) ✓

**Q91** National Current Affairs

2026 চনৰ এপ্ৰিল-মে' মাহত অনুষ্ঠিত হোৱা পশ্চিমবংগ বিধানসভা নিৰ্বাচনত, কোনটো ৰাজনৈতিক দলে ৰাজ্যখনত বিধানসভাৰ প্ৰতিনিধিত্ব লাভ কৰাৰ ক্ষেত্ৰত নিজৰ সৰ্বপ্ৰথম বিজয় সুনিশ্চিত কৰিছিল?

- A. ভাৰতীয় জনতা পাৰ্টি (Bharatiya Janata Party) ✓
- B. তৃণমূল কংগ্ৰেছ (Trinamool Congress)
- C. ভাৰতীয় জাতীয় কংগ্ৰেছ (Indian National Congress)
- D. লেফ্ট ফ্ৰণ্ট (Left Front)

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q92** New Apps & Portals

2026 চনৰ ফেব্ৰুৱাৰী মাহত কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সমগ্ৰ ভাৰতত আন্তঃগাঁথনিমূলক ব্যৱধান পূৰণ কৰাৰ উদ্দেশ্যে কোনটো আঁচনিৰ অধীনত NIGRANI (নিগৰানি) এপ মুকলি কৰিছিল?

- A. ৰাষ্ট্ৰীয় চহৰীয়া জীৱিকা অভিযান (National Urban Livelihoods Mission)
- B. প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যক্ৰম (Prime Minister Employment Generation Programme)
- C. প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম (Pradhan Mantri Jan Vikas Karyakram) ✓
- D. প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (Pradhan Mantri Gram Sadak Yojana)

**Q93** Policy Changes & Amendments

ভাৰতৰ নিয়ন্ত্ৰণ বলৱৎ কৰা পৰিকাঠামোৰ কোনটো গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ প্ৰসাৰ কৰিবলৈ জন বিশ্বাস আইন, 2023ৰ ওপৰত ভিত্তি কৰি জন বিশ্বাস (প্ৰবিধানসমূহৰ সংশোধনী) বিধেয়ক, 2026 নিৰ্মাণ কৰা হৈছে?

- A. ব্যৱসায় কৰাৰ সুবিধা উন্নত কৰিবলৈ লঘু অপৰাধসমূহক অপৰাধমুক্ত কৰা ✓
- B. দেৱানী শাস্তিৰ সলনি বাধ্যতামূলক কাৰাবাসৰ ব্যৱস্থা কৰা
- C. অৰ্থনৈতিক অপৰাধৰ বাবে প্ৰতিৰোধমূলক আটকৰ ব্যৱস্থা সম্প্ৰসাৰণ কৰা
- D. কেন্দ্ৰীয় চৰকাৰৰ অধীনত সকলো নিয়ন্ত্ৰণ ক্ষমতা কেন্দ্ৰীকৰণ কৰা

**Q94** Recent Tournaments

ভাৰতে 10টা পদক লাভ কৰা এছিয়ান ভাৰোত্তোলন চেম্পিয়নশ্বিপ 2026 কোনখন চহৰত অনুষ্ঠিত হৈছিল?

- A. জিয়াংশ্বেন
- B. বাৰ্মিংহাম
- C. গান্ধীনগৰ ✓
- D. পুনে

**Q95** Science & Technology Current Affairs

ISRO আৰু আন্তঃৰাষ্ট্ৰীয় মহাকাশ সংস্থাসমূহৰ অংশগ্ৰহণেৰে আয়োজিত মহাকাশযান অভিযান অপাৰেচনৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় সন্মিলন (International Conference on Spacecraft Mission Operations -SMOPS-2026)ৰ দ্বিতীয় সংস্কৰণটো কোনখন ভাৰতীয় চহৰত অনুষ্ঠিত হৈছিল?

- A. বেংগালুৰু ✓
- B. হায়দৰাবাদ
- C. পুনে
- D. চেন্নাই

**Q96** Science & Technology Current Affairs

কোনটো সংস্থাই, ভাৰতৰ যুৱ শিক্ষাৰ্থীৰ মাজত বৈজ্ঞানিক কৌতুহল বৃদ্ধি কৰিবলৈ, YUVIKA-2026 নামৰ যুৱ বিজ্ঞানী কাৰ্যসূচী আৰম্ভ কৰিছিল?

- A. শিক্ষা মন্ত্ৰালয়
- B. বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ
- C. ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ
- D. ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ✓

**Q97** Science & Technology Current Affairs

কোনটো সংস্থাই গভীৰ মহাকাশ অভিযানত প্ৰযুক্তিগত অগ্ৰগতি আৰু থলুৱা উচ্চ ক্ষমতাসম্পন্ন প্ৰণালী বিকাশৰ বাবে 2026 চনৰ মে' মাহত ISRO টেলিমেট্ৰী, ট্ৰেকিং এণ্ড কমাণ্ড নেটৱৰ্ক (ISTRAC)ৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছিল?

- A. স্পেচ এপ্লিকেচন ফৰ মাইক্ৰ'ৱেইভ ইঞ্জিনিয়াৰিং এণ্ড ৰিছাৰ্চ
- B. ছ'চাইটি ফৰ এপ্লাইড মাইক্ৰ'ৱেভ ইলেক্ট্ৰনিকছ ইঞ্জিনিয়াৰিং এণ্ড ৰিছাৰ্চ ✓
- C. ছেমিকণ্ডাক্টৰ এপ্লিকেচন এণ্ড মাইক্ৰ'ৱেভ ইঞ্জিনিয়াৰিং ৰিচাৰ্চ
- D. ছায়েন্টিফিক এছ'চিয়েচন ফৰ মাইক্ৰ'ৱেভ ইলেকট্ৰনিক্স এণ্ড ৰাডাৰ

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q98** Science & Technology Current Affairs

2025 চনৰ নৱেম্বৰ মাহত, ICMRয়ে ভেক্টৰ-বাহিত ৰোগ ক্ষিপ্ৰগতিত ধৰা পেলাব পৰা থলুৱা ৰোগ নিৰ্ণয়কাৰী সঁজুলিৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিছিল। এটা মাত্ৰ টিউবৰ ভিতৰতে একেলগে ডেংগু, চিকুনগুনিয়া আৰু জিকা ভাইৰাছ ধৰা পেলাব পৰা এই সঁজুলিটোত প্ৰধানকৈ কোনটো প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে?

A. প'ৰ্টেবল RT-PCR ডিভাইচ (Portable RT-PCR device)

B. AI-এনেবলড ডেংগু চেন্টিনেল প্লেটফৰ্ম (AI-Enabled Dengue Sentinel Platform)

C. চিংগল-টিউব মাল্টিপ্লেক্স ৰিয়েল-টাইম RT-PCR পদ্ধতি (Single-tube Multiplex Real-Time RT-PCR Method) ✓

D. CRISPR-Cas9 ভিত্তিক ফিভাৰ-স্কেন সঁজুলি (CRISPR-Cas9 Based Fever-Scan Tool)

**Q99** Species Conservation

প্ৰজেক্ট চিতাৰ অধীনত বটচোৱানা পৰা অনা নটা চিতা বাঘক কোৱাৰেণ্টাইনকৃত আৱদ্ধ স্থানত মুকলি কৰি দিয়াৰ পিছত 2026 চনত কোনখন ৰাষ্ট্ৰীয় উদ্যান চৰ্চালৈ আহিছিল?

A. হেমিছ ৰাষ্ট্ৰীয় উদ্যান, লাডাখ

B. কুনো ৰাষ্ট্ৰীয় উদ্যান, মধ্য প্ৰদেশ ✓

C. কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, অসম

D. গিৰ ৰাষ্ট্ৰীয় উদ্যান, গুজৰাট

**Q100** Summits & Conferences

2026 চনৰ মে' মাহত, কোনটো ভাৰতীয় সংস্থাই এছিয়ান উৎপাদনশীলতা সংস্থাৰ গৱাৰ্ণিং বডি বৈঠকৰ 68 সংখ্যক অধিৱেশন আয়োজন কৰিছিল?

A. NITI আয়োগ

B. ৰাষ্ট্ৰীয় উৎপাদনশীলতা পৰিষদ ✓

C. বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়

D. অল ইণ্ডিয়া বিজনেছ এণ্ড কমিউনিটি ফাউণ্ডেচন

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in